# জাৰুলতলা যুটীয়া বন ব্যৱস্থাপনা সমিতি

সোণাই সংৰক্ষিত বনাঞ্চল

কাছাৰ বন সংমণ্ডল, কাছাৰ

# ক্ষুদ্ৰ পৰিকল্পনা

(২০১৬-১৭ৰ পৰা ২০২৬-২৭ লৈ)

**প্ৰস্তুতকৰ্তা**

**জাৰুলতলা যুটীয়া বন পৰিচালনা সমিতি (JFMC)**

**সহায়কাৰী**

অসম বন বিভাগ

আৰু

ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকাৰ সুযোগ বৃদ্ধিৰ বাবে গঠিত মহাজোঁট (কম্পেল', COMPELO)

[আই আই ই (IIE), আৰ জি ভি এন (RGVN) আৰু চি এম এল (CML)]

Approved
20/7/18

Divisional Forest Officer

# সংক্ষিপ্ত শব্দৰ সম্পূৰ্ণ নামৰ তালিকা

| সংক্ষিপ্ত নাম | সম্পূৰ্ণ নাম |
|---|---|
| এ চি এফ (ACF) | সহকাৰী বন সংৰক্ষক (এছিষ্টেণ্ট কনজাৰভেটৰ অব্ ফৰেষ্ট) |
| এ এফ ডি (AFD) | এজেন্সী ফ্ৰান্স ডেভেলপমেন্ট |
| এ পি এফ বি চি (APFBC) | বন আৰু জৈৱ-বৈচিত্ৰ্য সংৰক্ষণ বিষয়ক অসম প্ৰকল্প<br>(আছাম প্ৰজেক্ট অন ফৰেষ্ট এণ্ড বায়'ডাইভাৰ্চিটী কনজাৰভেচন) |
| এ পি এল (APL) | দাৰিদ্ৰ্য সীমাৰেখাৰ ওপৰৰ (এব'ভ পভাৰ্টী লাইন) |
| বি পি এল (BPL) | দাৰিদ্ৰ্য সীমাৰেখাৰ তলৰ (বিল' পভাৰ্টী লাইন) |
| চি চি এফ (CCF) | মুখ্য বন সংৰক্ষক (চীফ কনজাৰভেটৰ অব্ ফৰেষ্ট) |
| চি এফ (CF) | বন সংৰক্ষক (কনজাৰভেটৰ অব্ ফৰেষ্ট) |
| চি এম এল (CML) | চেণ্টাৰ ফৰ মাইক্ৰ'ফাইনেন্স এণ্ড লাইভলিহুড |
| কম্পেল'<br>(COMPELO) | ক্ষুদ্ৰ পৰিকল্পনা আৰু জীবিকাৰ সুযোগ বৃদ্ধিৰ বাবে গঠিত মহাজোঁট<br>(কনছাল্টিং ছাৰ্ভিচ ফৰ মাইক্ৰ'প্লেনিং এনহেন্সিং লাইভলিহুড অপৰ্চুনিটিজ) |
| ডি চি এফ (DCF) | উপ-বন সংৰক্ষক (ডেপুটী কনজাৰভেটৰ অব্ ফৰেষ্ট) |
| ডি এফ অ' (DFO) | মাণ্ডলিক বন বিষয়া (ডিভিজনেল ফৰেষ্ট অফিচাৰ) |
| ই ডি চি (EDC) | পৰিৱেশ উন্নয়ন সমিতি (ইক'-ডেভেলপমেণ্ট কমিটী) |
| ই পি এ (EPA) | প্ৰাৰম্ভিক কৰ্মসূচী (এণ্ট্ৰি পইণ্ট এক্টিভিটী) |
| এফ চি এ (FCA) | বন সংৰক্ষণ আইন, ১৯৮১ (ফৰেষ্ট কনজাৰভেচন এক্ট, ১৯৮১) |
| এফ ডি (FD) | বন বিভাগ (ফৰেষ্ট ডিপাৰ্টমেণ্ট) |
| এফ আৰ এ (FRA) | বন অধিকাৰ আইন (ফৰেষ্ট ৰাইট্‌ছ এক্ট) |
| এফ ভি (FV) | বনগাঁও (ফৰেষ্ট ভিলেজ) |
| এফ ৱাই পি (FYP) | পঞ্চ বাৰ্ষিক পৰিকল্পনা (ফাইভ ইয়াৰ্ছ প্লেন) |
| জি এইচ জি (GHG) | গ্ৰিণ হাউছ গেছ |
| জি অ' আই (GoI) | ভাৰত চৰকাৰ (গৱৰ্নমেণ্ট অব্ ইণ্ডিয়া) |
| জি পি (GP) | গাঁও পঞ্চায়ত |
| এইচ এ (Ha) | হেক্টৰ |
| আই ই চি (IEC) | তথ্য, শিক্ষা আৰু যোগাযোগ (ইনফৰমেচন এডুকেচন এণ্ড কমিউনিকেচন) |

| | |
|---|---|
| আই আই ই (IIE) | ভাৰতীয় উদ্যমিতা প্ৰতিষ্ঠান (ইণ্ডিয়ান ইনষ্টিটিউট অব্ এণ্টাৰপ্ৰিনিঅ'ৰশ্বিপ) |
| জে এফ এম চি (JFMC) | যুটীয়া বন পৰিচালনা সমিতি (জইণ্ট ফৰেষ্ট মেনেজমেণ্ট কমিটী) |
| এম ডি আৰ (MDR) | মুখ্য জিলা পথসমূহ (মেজৰ ডিষ্ট্ৰিক্ট ৰোডছ) |
| এম জি এনৰেগা (MGNREGS) | মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰামীণ নিয়োগ নিশ্চিত আঁচনি (মহাত্মা গান্ধী নেচনেল ৰুৰেল এমপ্লয়মেণ্ট গেৰাণ্টি স্কিম) |
| এম অ' ই এফ চি চি (MoEFCC) | পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰণালয় (মিনিষ্ট্ৰী অব্ এনভায়ৰণমেণ্ট, ফৰেষ্ট এণ্ড ক্লাইমেট চেঞ্জ) |
| এন টি এফ পি (NTFP) | কাঠ ভিন্ন বন উৎপাদন (নন টিম্বাৰ ফৰেষ্ট প্ৰডিউচ) |
| অ' বি চি (OBC) | অন্যান্য পিছপৰা শ্ৰেণী (আদাৰ বেকৱাৰ্ড ক্লাছেছ) |
| অ' ডি আৰ (ODR) | অন্যান্য জিলা পথসমূহ (আদাৰ ডিষ্ট্ৰিক্ট ৰোড্ছ) |
| পি চি চি এফ (PCCF) | প্ৰধান মুখ্য বন সংৰক্ষক (প্ৰিন্সিপাল চীফ কনজাৰভেটৰ অব্ ফৰেষ্ট) |
| পি এইচ চি (PHC) | প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ (প্ৰাইমাৰী হেল্‌থ চেণ্টাৰ) |
| পি এম ইউ (PMU) | প্ৰকল্প পৰ্যবেক্ষণ গোট (প্ৰজেক্ট মনিটৰিং ইউনিট) |
| পি আৰ এ (PRA) | অংশগ্ৰহণমূলক গ্ৰামীণ মূল্যায়ন (পাৰ্টিচিপেট'ৰী ৰুৰল এপ্ৰাইজেল) |
| আৰ ই ডি ডি + (REDD+) | ৰিডিউচিং এমিচন ফ্ৰম ডি-ফৰেষ্টেচন এণ্ড ফৰেষ্ট ডিগ্ৰেডেচন প্লাচ |
| আৰ জি ভি এন (RGVN) | ৰাষ্ট্ৰীয় গ্ৰামীণ বিকাশ নিধি |
| আৰ অ' (RO) | বনাঞ্চলিক বিষয়া (ৰেঞ্জ অফিচাৰ) |
| এছ চি (SC) | অনুসূচিত জাতি (ছিডিউল কাষ্ট) |
| এছ ডি জি (SDG) | স্থিতিশীল উন্নয়ন লক্ষ্য (ছাছটেইনেবল ডেভেলপমেন্ট গ'ল্‌ছ) |
| এছ এল এফ (SLF) | নিৰ্বাহক্ষম জীৱিকা ৰূপৰেখা (ছাছটেইনেবল লাইভলিহুড ফ্ৰেমৱৰ্ক) |
| এছ পি পি (Spp) | স্পেছিছ |
| এছ টি (ST) | অনুসূচিত জনজাতি (ছিডিউল ট্ৰাইব) |
| এছ ডব্লিউ অ' টি (SWOT) | সক্ষমতা, দুৰ্বলতা, সুবিধা আৰু বিপদ (ষ্ট্ৰেংথ, উইক্‌নেছ, অপৰ্চুনিটী এণ্ড থ্ৰেট) |
| টি ভি (TV) | ট্যাংগা গাঁও (ট্যাংগা ভিলেজ) |
| টিভি (TV) | দূৰদৰ্শন (টেলিভিছন) |
| ডব্লিউ এল এছ (WLS) | বন্যপ্ৰাণী অভয়াৰণ্য (ৱাইল্ড লাইফ ছেংচুৰী) |
| ডব্লিউ পি এ (WPA) | বন্যপ্ৰাণী (সংৰক্ষণ) আইন, ১৯৭২ (ৱাইল্ডলাইফ (প্ৰটেকশন) এক্ট- ১৯৭২) |
| ডব্লিউ পি চি (WPC) | কৰ্ম পৰিকল্পনা চক্ৰ (ৱৰ্কিং প্লেন চাৰ্কোল) |

## গছ, জোপোহা গছ, ঘাঁহ-বন-লতা আদিৰ স্থানীয় আৰু বৈজ্ঞানিক নাম

| ক্ৰমিক নং | স্থানীয় নাম | বৈজ্ঞানিক নাম |
|---|---|---|
| ১ | চাম | আৰ্টোকাৰ্পাছ ছাপ্লাচা |
| ২ | ৰাতা | আমোৰা ৰাল্লিচি |
| ৩ | কুৰ্টা | পালাকুইয়াম পলিয়াস্থাম |
| ৪ | জাম | ইউজেনিয়া জাম্বোলানা |
| ৫ | পমা | ছেড্ৰেলা টুনা |
| ৬ | গমাৰি | গেমেলিনা আৰবোৰিয়া |
| ৭ | ধূনা | ক্যানাবিয়াম ৰেচিনিফাৰাম |
| ৮ | ৰামডালা | ডুয়াবাঙ্গাগ্ৰেণ্ডিফ্ল’ৰা |
| ৯ | বনাক | ছিমা ৰাল্লিচি |
| ১০ | মণিপুৰী চোম | পাৰকিয়া ৰক্সবাৰ্গি |
| ১১ | গৰ্জন | ডিপ্টেৰোকাৰ্পাছ টাৰ্বিনাটাছ |
| ১২ | জিনাৰি | পোডোকাৰ্পাছ নেৰিফোলিয়াম |
| ১৩ | ঝালনা | টুনা সিলিয়াটা |
| ১৪ | ঝাকুৰা | মেকাৰাঙ্গা ডেণ্টিকুলাটা |
| ১৫ | শিয়ালকাঁটা | ইউফেটোৰিয়াম অ’ডোৰেটাম |
| ১৬ | ফুটকলা | ম্যালাথ্ৰিয়া মেলাব্যাথ্ৰিকাম |
| ১৭ | নেফাফু | ভিটেক্স নেগুণ্ডো |
| ১৮ | গান্ধী | হোমালোমেনা এৰোম্যাটিকা |
| ১৯ | আগৰ | একুইলাৰিয়া এগালোচা |
| ২০ | নাগেশ্বৰ | মেছুয়া ফেৰা |
| ২১ | আমলখি | এমব্লিকা আফছিয়ান্যালিছ |
| ২২ | বহৰা | টাৰ্মিনালিয়া বেলেৰিকা |
| ২৩ | অৰ্জুন | টাৰ্মিনালিয়া অৰ্জুনা |
| ২৪ | চালিতা | ডিলেনিয়া ইণ্ডিকা |
| ২৫ | চালমোগ্ৰা | হাইডনোকাৰ্পাছ কুৰ্জি |
| ২৬ | হোনা/নৌকা | অ’ৰোক্সিলাম ইণ্ডিকাম |

# সূচীপত্ৰ


| অধ্যায় | শিৰোনাম | পৃষ্ঠা নং |
|---|---|---|
| | **অধ্যায় - এক** | |
| ১ | পৰিচয় | ৭ |
| ২ | এলেকাটোৰ সাধাৰণ বৰ্ণনা | ৮ |
| ৩ | গাঁৱৰ আৰ্থ-সামাজিক ৰূপৰেখা আৰু জে এফ এম চিৰ ৰূপৰেখা | ১১ |
| ৪ | জীৱিকা সম্পদৰ ৰূপৰেখা আৰু স্পৰ্শকাতৰতা | ১৮ |
| ৫ | উপলব্ধ পৰিকল্পনা আৰু কাৰ্যসূচী | ২০ |
| | **অধ্যায় -দুই** | |
| ৬ | ক্ষুদ্ৰ পৰিকল্পনাৰ উদ্দেশ্য, সবলতা, দুৰ্বলতা, সুযোগ আৰু ভাবুকি আৰু দূৰত্ব বিশ্লেষণ | ২৫ |
| ৭ | গাঁও উন্নয়ন পৰিকল্পনা | ২৯ |
| ৮ | জীৱিকা উন্নয়ন পৰিকল্পনা | ৩০ |
| ৯ | বনোন্নয়ন পৰিকল্পনা | ৩৪ |
| ১০ | প্ৰয়োগৰ কৌশল, সময়সীমা আৰু বাজেট | ৪৭ |
| | **অধ্যায় -তিনি** | |
| | তালিকা, মানচিত্ৰ আৰু পৰিশিষ্ট | ৫৩ |

# জাৰুলতলা যুটীয়া বন পৰিচালনা সমিতি
# কাছাৰ বন বিভাগ, দক্ষিণ অসম চক্ৰ

## ক্ষুদ্ৰ পৰিকল্পনা
## (২০১৬-১৭ৰ পৰা ২০২৬-২৭লৈ)

## অধ্যায় - ১

20/7/18

Divisional Forest Officer
Cachar, Division, Silchar

## ১। পৰিচয়

### ১.১ : প্ৰকল্পৰ বিষয়ে ঃ

অসম বন আৰু জৈৱ-বৈচিত্ৰ্য সংৰক্ষণ প্ৰকল্প (এ পি এফ বি চি)ৰ লক্ষ্য হৈছে ‘বহুমুখী আঁচনিৰ জৰিয়তে অসমৰ বন আৰু জৈৱ-বৈচিত্ৰ্য সংৰক্ষণ আৰু ব্যৱস্থাপনাৰ দীৰ্ঘম্যাদী আঁচনি কাৰ্যক্ষম কৰা আৰু আঁচনিৰ লক্ষ্যস্থানসমূহত বনাঞ্চলৰ ওপৰত নিৰ্ভৰশীল সম্প্ৰদায়সমূহক অন্তৰ্ভুক্ত কৰা, যাতে বনজ আৰু অনা-বনজ সম্পদসমূহৰ দীৰ্ঘম্যাদী ব্যৱহাৰৰ জৰিয়তে তেওঁলোকৰ জীৱন নিৰ্বাহ প্ৰক্ৰিয়াক উদগনি জনাব পাৰি।’ এই প্ৰকল্পৰ লক্ষ্যক এনেদৰে উল্লেখ কৰা হৈছে— ‘বনাঞ্চলৰ ওপৰত নিৰ্ভৰশীল সম্প্ৰদায়সমূহৰ সহযোগত বনাঞ্চলৰ পৰিৱেশ ব্যৱস্থা পুনৰ আগৰ অৱস্থালৈ ঘূৰাই নিয়াৰ লগতে সম্প্ৰদায়সমূহৰ জীৱন ধাৰণ প্ৰক্ৰিয়া উন্নত কৰিব পৰা যায়, যাতে জৈৱ-বৈচিত্ৰ্যৰ সংৰক্ষণ আৰু দীৰ্ঘম্যাদী ব্যৱহাৰ নিশ্চিত হয়।’ অসম চৰকাৰৰ সহযোগত এই প্ৰকল্পৰ বাবে পুঁজিৰ যোগান দৰিছে এজেন্সী ফ্ৰান্স ডি ডেভেলপমেণ্ট (এ এফ ডি) অৰ্থাৎ ফ্ৰান্স বিকাশ এজেন্সীয়ে। উল্লিখিত প্ৰকল্পৰ অধীনত পৰিকল্পনা, ৰূপায়ণ, নিৰীক্ষণ, সমন্বয় আৰু ব্যৱস্থাপনকে ধৰি সকলো কাম কৰিবলৈ অসম বন আৰু জৈৱ-বৈচিত্ৰ্য সংৰক্ষণ প্ৰকল্প ছ’চাইটী (এ পি এফ বি চি ছ’চাইটী) বাধ্য।

### ১.২ ঃ ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকা উন্নয়ন

বজাৰ সম্ভাৱনীয়তাৰ ওপৰত ভিত্তি কৰি মূল্য সংযোজনেৰে জীৱন ধাৰণ প্ৰক্ৰিয়া প্ৰসাৰৰ বাবে এই প্ৰকল্পত ব্যৱসায়িক প্ৰচাৰ, উৎপাদিত সামগ্ৰীৰ মূল্য সংযোজন আৰু বজাৰ ব্যৱস্থাৰ দৰে ব্যৱস্থা গ্ৰহণ কৰিবলৈ আগ্ৰহী। জনসংখ্যা বৃদ্ধিৰ লগে লগে বনজ সম্পদৰ ওপৰত বৃদ্ধি পোৱা চাপৰ ফলত এনে ব্যৱস্থা গ্ৰহণ কৰাটো জৰুৰী হৈ পৰিছে। বৰ্তমানে উপলব্ধ বন আৰু জৈৱ-বৈচিত্ৰ্য সামগ্ৰী আৰু বজাৰ সেৱাসমূহৰ বজাৰৰ সম্ভাৱনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি মূল্য সংযোজনৰ অনুসন্ধান কৰাটো প্ৰয়োজনীয়। ইয়াৰ লগতে অবনজ নিৰ্ভৰশীল জীৱন ধাৰণ প্ৰক্ৰিয়া অনুসন্ধান কৰি সম্প্ৰদায়সমূহৰ সদস্যসকলক দক্ষতা বিকাশ পদক্ষেপৰ জৰিয়তে সফলতা বৃদ্ধি কৰা উচিত।

উক্ত প্ৰকল্পৰ অধীনত ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকা বিকাশৰ আঁচনি ৰূপায়ণৰ বাবে ইণ্ডিয়ান ইনষ্টিটিউট অব্ এণ্ট্ৰ’প্ৰেনিয়ৰশ্বিপ (আই আই ই) গুৱাহাটী, ৰাষ্ট্ৰীয় গ্ৰামীণ বিকাশ নিধি (আৰ জি ভি এন) আৰু চেণ্টাৰ ফৰ মাইক্ৰ’ফাইনেন্স এণ্ড লাইভলিহুড ডেভেল’পমেণ্টৰে এক মহাজোঁট গঠন কৰা হৈছে। এই মহাজোঁটক ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকাৰ সুযোগ বৃদ্ধি (কনছালটিং ছাৰ্ভিচ ফৰ মাইক্ৰ’ প্লেনিং এনহেন্সিং লাইভলিহুড অপৰ্চুনিটিজ)ৰ বাবে গঠিত মহাজোঁট চমুকৈ কম্পেল’ হিচাপে নামকৰণ কৰা হৈছে।

এই প্ৰকল্পৰ নিয়ম অনুসৰি ক্ষুদ্ৰ পৰিকল্পনাত ‘বিভিন্ন গাঁৱত অভিযান আৰু বন উন্নয়ন, বনাঞ্চলৰ ওপৰত নিৰ্ভৰশীল লোকসকলক জীৱিকা সমৰ্থন আৰু লক্ষ্য অনুসৰি দীৰ্ঘম্যাদী বন ব্যৱস্থাপনা’ অন্তৰ্ভুক্ত কৰা হৈছে। ইয়াত বন উন্নয়ন আৰু জীৱিকা বিকাশ উভয়ে অন্তৰ্ভুক্ত হৈ আছে।

### ১.৩ জাৰুলতলা জে এফ এম চিৰ বাবে ক্ষুদ্ৰ পৰিকল্পনা

অসমৰ কাছাৰ জিলাত অৱস্থিত জাৰুলতলা জে এফ এম চিৰ বাবে প্ৰণয়ন কৰা ক্ষুদ্ৰ পৰিকল্পনাৰ তথ্য তলত উল্লেখ কৰা হ’ল। এই জে এফ এম চি কাছাৰ বন সংমণ্ডলৰ হাৰাইটাং আঞ্চলিকৰ অন্তৰ্গত। পৰৱৰ্তী অংশত জনগোষ্ঠীৰ বিশদ পৰিচয় দিয়া হ’ল।

## ২। এলেকাৰ সাধাৰণ বিৱৰণ

### ২.১ সাধাৰণ বিৱৰণ

শিলচৰ বন সংমণ্ডল অসমৰ দক্ষিণ প্ৰান্তৰ উৰ্বৰ বৰাক উপত্যকাত অৱস্থিত। ইয়াৰ উত্তৰ দিশে উত্তৰ কাছাৰ পাৰ্বত্য জিলা, পূবে মিজোৰাম আৰু পশ্চিমে কৰিমগঞ্জ জিলাসহ কৰিমগঞ্জ বন সংমণ্ডল আৰু শিলচৰ জিলাৰ একাংশ। এই বিভাগৰ বনাঞ্চলসমূহ সুষমভাৱে অৱস্থিত নহয়। মধ্যাঞ্চলৰ ঘন জনবসিতপূৰ্ণ এলাকাত কোনো বৃক্ষাৰণ্য নাই। সমগ্ৰ সংৰক্ষিত বনাঞ্চলসমূহ বিস্তৃত হৈ আছে বৰাইল আৰু লুচাই পাহাৰৰ ঢাল তথা পাদদেশত অথবা ভুবন, ৰাংতে, ভৈৰাল এবং ছাতাচূড়া পাহাৰ এলাকাত।

বনাঞ্চলৰ ভিতৰুৱা অঞ্চলসমূহত যাতে নিৰন্তৰ শ্ৰমিক সৰবৰাহ সম্ভৱ হয় সেই উদ্দেশ্যে কেৱল বনকৰ্মীসকলৰ বাবেই বনগাঁওসমূহ গঢ়ি তোলা হৈছে। কাৰণ এই এলেকাত শ্ৰমিকৰ পৰ্যাপ্ততা খুব কমেই আছে। এই বনগাঁওসমূহত মানুহক বসতি স্থাপনৰ বাবে আকৰ্ষিত কৰিবৰ বাবে কিছু সুযোগ-সুবিধাও দিয়া হৈছে। ইয়াৰ ভিতৰত কম মূল্যত মাটি প্ৰদান, বছৰত ১০ দিন, পিছত কমাই ৫ দিনৰ বিনামূলীয়া শ্ৰমৰ বিনিময়ত ঘৰুৱা প্ৰয়োজন পূৰণৰ বাবে বিনামূল্যে বন উৎপাদন ব্যৱহাৰৰ সুবিধা প্ৰদান কৰা ইত্যাদি। পূৰ্বে বনাঞ্চলৰ কামকাজৰ লগত পৰম্পৰাগতভাৱে জড়িত কিছু নিৰ্দিষ্ট শ্ৰেণীৰ লোকৰ বাহিৰে অন্যান্য শ্ৰেণীৰ মানুহক বসতি স্থাপনৰ বাবে ভূমি প্ৰদানত বাধা-নিষেধ আছিল।

### ২.২ অৱস্থিতি

শিলচৰ বন সংমণ্ডল ২৪°৮// আৰু ২৫°৯// উত্তৰ অক্ষাংশ আৰু ৯২°৩০// আৰু ৯৩°১৬// পূব দ্ৰাঘিমাংশৰ মাজত অৱস্থিত। এই বন সংমণ্ডল কাছাৰ আৰু হাইলাকান্দি জিলাৰ অংশৰে গঠিত। বন সংমণ্ডলটোৰ মুঠ ভৌগোলিক আয়তন ৫,১০২ বৰ্গকিঃমিঃ। গেজেট অধিসূচনা অনুযায়ী বন সংমণ্ডলটোৰ মুঠ বন এলেকা প্ৰায় ২,৫৮৩.৪৫ বৰ্গকিঃমিঃ অৰ্থাৎ মুঠ ভৌগোলিক আয়তনৰ প্ৰায় ৫০.৬৩ শতাংশ।

(পৰিশিষ্ট-১ ঃ অৱস্থিতিৰ মানচিত্ৰ; পৰিশিষ্ট-২ ঃ জে এফ এম চিৰ প্ৰৱেশ পথ)

### ২.৩ ভূমি

প্ৰাচীনতম ভূতাত্বিক গঠনৰ পৰাই ইয়াৰ ভূমিৰ উৎপত্তি। পাললিক সমভূমি এলাকাজুৰি সিঁচৰতি হৈ আছে চাপৰ চাপৰ বহুতো টিলা। সমভূমিৰ মাটিৰ বিভিন্ন স্তৰত আছে মোটা দানাৰ বালি, শিল আৰু লৌহ উপাদান মিশ্ৰিত বোকামাটি। পূব সীমান্তত লুচাই পাহাৰ শ্ৰেণীৰ অন্তৰ্ভুক্ত পাহাৰসমূহৰ মাটিৰ স্তৰে স্তৰে পৰ্যায়ক্ৰমিকভাৱে আছে বালিমিশ্ৰিত বোকা। নিম্নভাগত সুৰমা শ্ৰেণীৰ নৰম শ্লেটজাতীয় পাথৰৰ মাটিৰ মুখ্য বৈশিষ্ট্য। আনহাতে, ওপৰ বা উজনি অংশৰ মাটি প্ৰধানতঃ বালিমিশ্ৰিত নৰম শ্লেটজাতীয় পাথৰ আৰু বালিয়ৰি। এই গঠন বৈশিষ্ট্যৰ কাৰণেই ইয়াত সেয়েহে জলাহভূমি গঢ়ি উঠিছে। ইফালে-সিফালে সিঁচৰতি হৈ থকা অধিকাংশ টিলাৰ মাটি বালিমিশ্ৰিত আৰু টিপম শ্ৰেণীৰ নানা ৰঙৰ বোকামাটিৰ স্তৰ।। নিম্নভাগৰ টিপম শ্ৰেণীৰ মাটি ইয়াৰ নিকটৱৰ্তী মাটিৰ স্তৰৰ তুলনাত কিছু কঠিন। পাহাৰসমূহৰ দক্ষিণাঞ্চলৰ মাটি সুযমা আৰু দিহিং শ্ৰেণীৰ আৰু এইবোৰ প্ৰধানতঃ শিল আৰু বালি, শিলেৰেই গঠিত। উপত্যকাটোৰ অধিকাংশ এলেকাৰ মাটি প্ৰধানত উৰ্বৰ বালিমিশ্ৰিত পলসুৱা আৰু নিম্নভাগ বালিমিশ্ৰিত পলসুৱা।

### ২.৪ পানী

এই বন সংমণ্ডলৰ প্ৰধান নদীসমূহ হ'ল বৰাক, খাটাকাল, সোণাই ৰুকনি, জিৰি আৰু ডুলু।

## ২.৫ জলবায়ু

এই সংমণ্ডলৰ জলবায়ু উপ-গ্ৰীষ্মমণ্ডলীয়। দীৰ্ঘকাল ধৰি প্ৰচুৰ বৃষ্টিপাত হয়। উষ্ণতাও তাৰতম্যহীনভাৱে তীব্ৰ। ভৌগোলিক গঠনেও জিলাৰ জলবায়ুৰ ওপৰত বৰঙণি আগবঢ়াইছে। পশ্চিম দিশৰ পৰা ভাহি অহা জলীয়বাষ্প পৰিপূৰ্ণ মেঘৰাশি সীমান্তৰ পাহাৰসমূহত ঠেকা খোৱাৰ ফলত প্ৰচুৰ বৃষ্টিপাত হয়। জলবায়ুৰ কাৰণে প্ৰতিটো ঋতুৰ বৈশিষ্ট্য পৃথক পৃথক। তুলনামূলকভাৱে নৱেম্বৰৰ পৰা ফেব্ৰুৱাৰী মাহ পৰ্যন্ত শীতকাল আৰু জলবায়ু শুষ্ক। মাৰ্চৰ পৰা মে' মাহ পৰ্যন্ত গ্ৰীষ্মকাল আৰু তীব্ৰ গৰম আৰু শুষ্ক বাতাৱৰণ। মে' মাহৰ শেষৰ পৰা অক্টোবৰৰ শেষ পৰ্যন্ত বৰ্ষাকাল। কেতিয়াবা কেতিয়াবা শীতকাল শেষ হোৱাৰ লগে লগেই গ্ৰীষ্মকালৰ বৰষুণ আৰম্ভ হয়। জুলাইৰ পৰা ছেপ্টেম্বৰ মাহ পৰ্যন্ত মুঠ বৃষ্টিপাতৰ পৰিমাণ প্ৰায় ৭০ শতাংশ। সকলোতকৈ শুকান মাহ হ'ল ডিচেম্বৰ, তেতিয়াও আনকি জলবায়ুৰ গড় আৰ্দ্ৰতা ৪০ শতাংশৰ তলত নানামে। উত্তৰ দিশে 'বৃহৎ প্ৰাচীৰ' হিচাপে দণ্ডায়মান বৰাইলে বৃষ্টিপাত ক্ৰমশঃ বৃদ্ধি কৰি থাকে। সকলোতকৈ কম বৃষ্টিপাত হয় পূব দিশৰ মণিপুৰ সীমান্ত এলেকাত। জুলাই মাহত কালাইন চাহ বাগান এলেকাত বৰষুণৰ পৰিমাণ ৭৫৯ মিঃমিঃ। বৰাইল পাহাৰ শ্ৰেণীৰ কাষৰ হাৰাঙ্গাজাৰত বৃষ্টিপাতৰ বাৰ্ষিকপৰিমাণ ৩৩৮৩.৫ মিঃমিঃ। কালাইন এলেকাত মে' মাহত সৰ্বোচ্চ তাপমাত্ৰা ৩৫.৫° চেলচিয়াছ আৰু জানুৱাৰী মাহত সৰ্বনিম্ন তাপমাত্ৰা ৫.৪° চেলচিয়াছ। বৰাইল পাহাৰ শ্ৰেণীত তাপমাত্ৰাৰ তাৰতম্য বহুত বেছি। কিন্তু দুৰ্ভাগ্যজনক কথা যে এই সম্পৰ্কীয় কোনো নথিভুক্ত তথ্য নাই। দক্ষিণ-পশ্চিমৰ পৰা পূব দিশে কালাইন পৰ্যন্ত বছৰি বাৰিষাৰ দিন বাঢ়ি গড়ে ১৫৯.৮ দিন হয়। ইয়াৰ তুলনাত শিলচৰত বাৰিষাৰ দিন ১৩০। গোটেই বছৰ ধৰি বতাহৰ আৰ্দ্ৰতা বহুত বেছি। শিলচৰত গড় আৰ্দ্ৰতা ৭৮ শতাংশ।

## ২.৬ পৰিবেশতন্ত্ৰ আৰু জৈৱ-বৈচিত্ৰ্য

গেজেট অধিসূচনা অনুযায়ী বনাঞ্চলসমূহৰ মুঠ আয়তন ২৪৩৫.১৩ বৰ্গকিঃমিঃ। এই আয়তন হ'ল শিলচৰ বন সংমণ্ডলৰ মুঠ ভৌগোলিক এলেকাৰ প্ৰায় ৪৭.৭২ শতাংশ। ইয়াৰ উপৰি ১৫৮.৩৪ বৰ্গকিঃমিঃ এলেকা প্ৰস্তাৱিত আৰু অ-শ্ৰেণীভুক্ত ৰাজ্যৰ বনাঞ্চল। প্ৰস্তাৱিত আৰু অ-শ্ৰেণীভুক্ত এলেকাসহ মুঠ আকাংক্ষিত বনাঞ্চল এলেকা হ'ল সমগ্ৰ বনাঞ্চলৰ ৫০.৬৩ শতাংশ।

**সংৰক্ষিত বনাঞ্চলসমূহ ঃ**

পুনৰ গঠিত শিলচৰ বন বিভাগৰ অধীনস্থ সংৰক্ষিত বনাঞ্চলসমূহ তলত উল্লেখ কৰা হ'ল।

| ক্ৰমিক নং | সংৰক্ষিত বনাঞ্চলৰ নাম | এলেকা (হেক্টৰ হিচাপে) |
|---|---|---|
| ১ | বৰাইল সংৰক্ষিত বনাঞ্চল (অংশ) | ৭৩৮৬.৩৩ |
| ২ | উজনি জিৰি | ৬৩২৬.২৪ |
| ৩ | নামনি জিৰি | ৩৬৪২.৯৮ |
| ৪ | বৰাক | ২০,৫২৯.৪৮ |
| ৫ | ইনাৰ লাইন (অংশ) | ১,৮৭,১৪০.৯৬ |
| ৬ | সোণাই | ৩৫৯৪.৪২ |
| ৭ | কাটাখাল | ১৪,৮৯২.৭৮ |
| | মুঠ | ২, ৪৩, ৫১৩, ১৯ হেক্টৰ |

## ২.৭ শিলচৰ বন বিভাগৰ জৈৱ-বৈচিত্ৰ্য সংৰক্ষণৰ ক্ষেত্ৰত দেখা দিয়া বিপদসমূহ

* চৰকাৰ নিয়ন্ত্ৰিত এই বনাঞ্চলৰ ৫,১০২ বৰ্গকিঃমিঃ এলাকাৰ মাজত ২৪.০৭ বৰ্গকিঃমিঃ এলেকা বেদখলকাৰীৰ কবলত আছে। ইয়াৰ উপৰি ১৯৮০ চনৰ পৰা ব্যাপক হাৰত গছ কটাৰ ফলত একমাত্ৰ বনাঞ্চলৰ নামৰ বাহিৰে অৱশিষ্ট একো নাই।

(দ্ৰষ্টব্য ঃ ডব্লিউপি, ১৯৯১-২০০৬ চন পৰ্যন্ত)

* সময় যিমানে আগবাঢ়িছে সিমানে দেখা গৈছে, বন বিভাগৰ কাম-কাজৰ ক্ষেত্ৰত অনুপযুক্ত আৰু অনাকাংক্ষিত এক শ্ৰেণীৰ মানুহক পুনৰ সংস্থাপন তথা পুনৰ বসতি স্থাপনৰ কাৰণে বনগাঁও সংক্ৰান্তীয় বাধা-নিষেধসমূহ লংঘন কৰা হৈছে আৰু তেওঁলোকক বনগাঁওবাসী হিচাপে পুনৰ সংস্থাপন দিয়া হৈছে। এইসকল পুনৰ সংস্থাপিত মানুহে বনাঞ্চলৰ শ্ৰমিক হিচাপে কাম কৰাৰ কাৰণে সন্মত থাকিব লাগে যদিও তেওঁলোকক নিয়োগ কৰাৰ কোনো সুযোগ যে নাই এই তথ্যকো উপেক্ষা কৰা হৈছে।

* এই তথাকথিত বনগাঁৱৰ বাসিন্দাসকল বন বিভাগৰ কাম কৰাৰ প্ৰতি দায়বদ্ধ থকা সত্ত্বেও এটা দিনো শ্ৰমদান নকৰে। ইয়াৰে মাজৰ কিছু লোকে বাবু শ্ৰেণীৰ চাকৰিত নিযুক্ত হৈ আছে। তেওঁলোকে কৃষিভূমি আধিত দিয়ে। ইয়াৰে আকৌ কিছুসংখ্যক লোকে বনগাঁৱৰ বাহিৰত বসবাস কৰে আৰু বনগাঁৱৰ মাটি তেওঁলোকে ফাৰ্ম হাউছ হিচাপে ব্যৱহাৰ কৰে।

* অধিকাংশ জনজাতীয় লোকে ঝুমখেতি কৰি চলি আছে। যদি এবাৰ ঝুমখেতিৰ পৰা শস্য সংগ্ৰহৰ মধ্যৱৰ্তী সময়খিনি যথেষ্ট দীঘলীয়া হয়, তেনেহ'লে বনাঞ্চলৰ বৈশিষ্ট্যৰ দীৰ্ঘস্থায়ী পৰিৱৰ্তন নহয় আৰু তাৰফলত বনাঞ্চল পুনৰ আগৰ অৱস্থালৈ ঘূৰি আহে আৰু এক গতিশীল অৱস্থাৰ মাজতেই থাকি যায়।

* অধিকাংশ অ-জনজাতি সম্প্ৰদায়ৰ লোকেই অধিক উন্নত কৃষি পদ্ধতি অনসৰণ কৰে। তেওঁলোক স্থায়ী কৃষিভূমিৰ ওপৰত নিৰ্ভৰশীল। বনগাঁৱৰ এইসকল সম্প্ৰদায়ৰ লোকে ঝুমখেতি নকৰে। তাৰফলত শেষত এইসকল লোকে বনাঞ্চলৰ মাটিসমূহক স্থায়ীভাৱে বনাঞ্চল বহিৰ্ভূত কাম-কাজৰ ভূমিত পৰিণত কৰে। তেওঁলোকৰ এইসমূহ কাৰ্যকলাপ বনাঞ্চলৰ পক্ষে সকলোতকৈ ডাঙৰ বিপদ হিচাপে গণ্য কৰা উচিত। (দ্ৰষ্টব্য ঃ ডব্লিউ পি ঃ ১৯৯১-২০০৬)

## ৩। গাঁৱৰ আৰ্থ-সামাজিক ৰূপৰেখা আৰু জে এফ এম চিৰ পৰিচয়

### ৩.১ মূল তথ্য

সোণাই সংৰক্ষিত বনাঞ্চলত অৱস্থিত জাৰুলতলা বনগাঁৱত বৰ্তমান বসবাসকাৰী সম্প্ৰদায়ৰ লোকসকলৰ বাবে জাৰুলতলা যুটীয়া বন পৰিচালনা সমিতি ( জে এফ এম চি) গঠন কৰা হৈছে। উপৰোক্ত জে এফ এম চি এলেকা অসমৰ কাছাৰ জিলাৰ নৰসিংপুৰ উন্নয়ন খণ্ডৰ অন্তৰ্গত। এই জে এফ এম চিৰ মূল্য তথ্য তলত উল্লেখ কৰা হ'ল।

**তালিকা ক ঃ জে এফ এম চিৰ মূল তথ্য**

| ক্ৰমিক নং | বিষয় | মূল তথ্য |
|---|---|---|
| ১ | জে এফ এম চিৰ নাম | জাৰুলতলা |
| ২ | বনগাঁৱৰ নাম | জাৰুলতলা |
| ৩ | গাঁও পঞ্চায়ত / ভি চি ডি চিৰ নাম | জীৱনগ্ৰাম |
| ৪ | ৰাজহ চক্ৰৰ নাম | সোণাই |
| ৫ | জিলা | কাছাৰ |
| ৫ | বন সংমণ্ডলৰ নাম | কাছাৰ |
| ৬ | বন আঞ্চলিকৰ নাম | হাৰাইথাং |
| ৭ | বন লাটৰ নাম | বিষ্ণুপুৰ |
| ৮ | গঠনৰ বছৰ | ২০০৪ |
| ৯ | পঞ্জীয়ন নম্বৰ | SAC/CHR/26 |
| ১১ | জে এফ এম চিৰ চাৰিসীমা | উত্তৰ ঃ ভুবনধৰ চাহ বাগান<br>দক্ষিণ ঃ হাৰাইথাং লাট<br>পশ্চিম ঃ মথুৰাপুৰ<br>পূব ঃ মইনাৰখাল লাট |

**উৎস ঃ** জে এফ এম চিৰ তথ্য আৰু পি আৰ এ অনুশীলনৰ সময়ত হোৱা আলোচনা

### ৩.২ কাৰ্যকৰী সমিতি আৰু সাধাৰণ সমিতিৰ সংক্ষিপ্ত বিৱৰণ

নিম্নোক্ত তালিকাত জে এফ এম চিৰ কাৰ্যকৰী সমিতি আৰু সাধাৰণ সমিতিৰ সংক্ষিপ্ত বিৱৰণ দিয়া হ'ল।

তালিকা-খ ঃ কাৰ্যকৰী সমিতি আৰু সাধাৰণ সমিতিৰ সংক্ষিপ্ত বিৰৰণ

| নাম | বয়স | ঠিকনা | শিক্ষাগত অৰ্হতা | ফোন নম্বৰ | পদৰী |
|---|---|---|---|---|---|
| নান্নিবাবু সিনহা | ৫২ | পিতা ঃ প্ৰয়াত চন্দ্ৰ বাবু সিনহা<br>গাঁও ঃ জাৰুলতলা<br>পোঃ অঃ জীৰনগ্ৰাম | উচ্চ মাধ্যমিক | ৮৭৫৩০৪৮১০২ | সভাপতি |
| নিজামুদ্দিন মজুমদাৰ | ৫৮ | প্ৰযত্নে ঃ হাজী বচৰত আলি<br>গাঁও+পোঃঅঃ উত্তৰ নাৰায়ণপুৰ<br>জিলাঃ হাইলাকান্দি | উচ্চতৰ মাধ্যমিক | ৯৪৩৫৮০৯৭৫৩ | সদস্য সচিব |
| অতুল ঘাটোৱাৰ | ৪২ | প্ৰযত্নে ঃ লোকচান্দ ঘাটোৱাৰ<br>গাঁও ঃ জাৰুলতলা<br>পোঃ অঃ জীৰনগ্ৰাম | ষষ্ঠ | | সদস্য |
| লক্ষীপ্ৰসাদ ওৰাং | ৪৫ | পিতা ঃ প্ৰয়াত জগত ওৰাং<br>গাঁও ঃ জাৰুলতলা<br>পোঃ অঃ জীৰনগ্ৰাম | তৃতীয় | | সদস্য |
| ৰাজেন সিনহা | ৪২ | প্ৰযত্নে ঃ মুক্তাখাম্বা সিনহা<br>গাঁও ঃ জাৰুলতলা<br>পোঃ অঃ জীৰনগ্ৰাম | পঞ্চম | ৭৫৭৭৯৪৪১৩১ | সদস্য |
| সঞ্জু ঘাটোৱাৰ | ৪০ | পিতা ঃ প্ৰয়াত লক্ষী কান্ত ঘাটোৱাৰ<br>গাঁও ঃ জাৰুলতলা<br>পোঃ অঃ জীৰনগ্ৰাম | নাই | ৯৫৭৭৩৫৫৬৪৮ | সদস্য |
| কুঞ্জৰাণী সিনহা | ৫৫ | প্ৰযত্নে ঃ খাচিবাবু সিনহা<br>গাঁও ঃ জাৰুলতলা<br>পোঃ অঃ জীৰনগ্ৰাম | নৱম | ৮৮৭৬৬৬২১৪৮ | সদস্য |
| মনিডন সিনহা | ৬৫ | পিতা ঃ প্ৰয়াত বাবুচান্দ সিনহা<br>গাঁও ঃ জাৰুলতলা<br>পোঃ অঃ জীৰনগ্ৰাম | দশম | ৭০৪০৬৫০৪৪৬ | সদস্য |
| জয়ন্ত সিনহা | ৪২ | প্ৰযত্নে ঃ কামিনী সিনহা<br>গাঁও ঃ জাৰুলতলা<br>পোঃ অঃ জীৰনগ্ৰাম | উচ্চতৰ মাধ্যমিক | ৯৫৭৭৯৬৫১৩৩ | সদস্য |
| কুলজিৎ সিনহা | ৪৩ | প্ৰযত্নে ঃ নালানকন সিনহা<br>গাঁও ঃ জাৰুলতলা<br>পোঃ অঃ জীৰনগ্ৰাম | উচ্চ মাধ্যমিক | ৯৫০৮৮৯৯৩৫৭ | সদস্য |
| নিভা সিনহা | ৩৮ | প্ৰযত্নে ঃ সুৰেন সিনহা<br>গাঁও ঃ জাৰুলতলা<br>পোঃ অঃ জীৰনগ্ৰাম | অষ্টম | ৮৪০৩৯১৬৬৩৫ | সদস্য |

**উৎস ঃ** জে এফ এম চি তথ্য

### ৩.৩ পৰিয়াল আৰু জনসংখ্যাৰ বিন্যাস

এই গাঁৱত মুঠ ১২৭টি পৰিয়াল আছে। ইয়াৰে ৩৬টা পৰিয়াল বি পি এল (দাৰিদ্ৰ্য সীমাৰেখাৰ তলৰ)।

**তালিকা-গ ঃ জাৰুলতলা জে এফ এম চিৰ জনবিন্যাস**

| জাতি / সম্প্ৰদায় | পৰিয়াল | পুৰুষ | মহিলা | মুঠ |
|---|---|---|---|---|
| সাধাৰণ | ০ | ০ | ০ | ০ |
| অন্যান্য পিছপৰা | ১২৬ | ২৯৪ | ২৯৬ | ৫৯০ |
| অনুসূচিত জাতি | ০ | ০ | ০ | ০ |
| অনুসূচিত জনজাতি | ১ | ১ | ০ | ১ |
| অন্যান্য | ০ | ০ | ০ | ০ |
| **মুঠ** | ১২৭ | ২৯৫ | ২৯৬ | ৫৯১ |

মুঠ জনসংখ্যা ৫৯১, ইয়াৰে ভিতৰত ২৯৫জন পুৰুষ আৰু বাকীসকল সদস্য মহিলা।

এই তথ্যৰ পৰা দেখা যায় ঃ

(১) পৰিয়ালসমূহৰ গড় সদস্য সংখ্যা ৫

(২) লিঙ্গানুপাত হ'ল প্ৰতি ১০০০জন পুৰুষৰ বিপৰীতে মহিলা ৯৯৭গৰাকী।

**তালিকা-ঘ ঃ বয়স বিন্যাস**

| বয়স শ্ৰেণী | < ৫ বছৰ | ৫-১৮ বছৰ | ১৮-৪৫ বছৰ | ৪৫-৬০ বছৰ | > ৬০ বছৰ |
|---|---|---|---|---|---|
| **পুৰুষ** | ১১ | ৯৩ | ১৫৪ | ৭১ | ২১ |
| **মহিলা** | ১০ | ৫৬ | ১১১ | ৩৯ | ২৫ |
| **মুঠ** | ২১ | ১৪৯ | ২৬৫ | ১১০ | ৪৬ |

### ৩.৪ শিক্ষা আৰু দক্ষতা উন্নয়ন

প্ৰাপ্ত তথ্য অনুযায়ী ৭৪ শতাংশৰ অধিক লোক সাক্ষৰ। এই জনসংখ্যাৰ অধিকাংশ সদস্যৰ শিক্ষাগত অৰ্হতা স্কুল পৰ্যায়ৰ। ইয়াৰ ভিতৰত মুষ্টিমেয় কেইটামান পৰিয়ালৰ লোকে কলেজ পৰ্যায়ৰ শিক্ষা গ্ৰহণ কৰিছে।

**তালিকা-ঙ ঃ শিক্ষাগত অৰ্হতাৰ বিৰৰণ**

| বয়স শ্ৰেণী | প্ৰাথমিক | মধ্য | হাইস্কুল | দ্বাদশ | স্নাতক | স্নাতকোত্তৰ | নিৰক্ষৰ |
|---|---|---|---|---|---|---|---|
| **< ২৫ বছৰৰ তলৰ** | ৫৩ | ২১ | ৪৭ | ২৭ | ১৩ | ০ | ১৫ |
| **> ২৫ বছৰৰ ওপৰৰ** | ৭৬ | ৪৯ | ৮৮ | ৩৭ | ৯ | ১ | ১৩৪ |
| **মুঠ** | ১২৯ | ৭০ | ১৩৫ | ৬৪ | ২২ | ১ | ১৪৯ |

আনুষ্ঠানিক আৰু অনানুষ্ঠানিক দুই ধৰণৰেই জীৱিকাৰ দক্ষতা আহৰণ কৰিছে। জে এফ এম চি এলেকাত অনানুষ্ঠানিক দক্ষতাৰ অৰ্থ হল পৰম্পৰাগত উপায়সমূহ। নিম্নোক্ত বিষয়সমূহত এইসকল লোকে পৰম্পৰাগত দক্ষতা আহৰণ কৰিছে ঃ

ক) বয়ন

খ) বাঁহ-বেতৰ কাম

গ) কম্পিউটাৰ

ঘ) চিলাই কাম

দেশৰ লগতে ৰাজ্যখনতো চৰকাৰে আনুষ্ঠানিক দক্ষতা উন্নয়ন কাৰ্যসূচী ৰূপায়ণত সক্ৰিয় ভূমিকা গ্ৰহণ কৰিছে।

## ৩.৫ ভূমি ব্যৱহাৰৰ ধৰণ

পৰিয়ালসমূহৰ ভূমি ব্যৱহাৰৰ ধৰণ তলত উল্লেখ কৰা হ'ল ঃ

কৃষিভূমি ঃ ৯৩.৩ হেক্টৰ

বৃক্ষাচ্ছাদিত ভূমি ঃ ৩০০ হেক্টৰ

বাসস্থান ঃ ৪২.৮ হেক্টৰ

জলাশয় ঃ ৩০ হেক্টৰ (পানী আবদ্ধ এলেকাসহ)

অনুৰ্বৰ পতিত ভূমি ঃ ২ হেক্টৰ

## ৩.৬ ভূমি মালিকানাৰ ধৰণ

ভূমি মালিকানাৰ ধৰণৰ তথ্য তলত দিয়া ধৰণৰ ঃ

* ১২.৩ শতাংশ পৰিয়াল ভূমিহীন

* ৮৩.০৭ শতাংশ উপান্ত কৃষক (এই পৰিয়ালসমূহৰ ভূমিৰ পৰিমাণ দুই হেক্টৰৰ কম) আৰু

* ৪.৬১ শতাংশ পৰিয়াল ক্ষুদ্ৰ কৃষক (ভূমিৰ পৰিমাণ ২-১০ হেক্টৰ)

## ৩.৭ পশুধন

গাঁওবাসীৰ দ্বাৰা পালিত পশুধনৰ মুঠ সংখ্যা ১৮৯। তেওঁলোকৰ দ্বাৰা পালিত প্ৰধান পশুধনসমূহ তলত দিয়া ধৰণৰ ঃ

**পশুধনৰ বিশদ বিৱৰণ**

| গাই | বলধ/ষাঁড় | ম'হ | হাঁহ | কুকুৰা |
|---|---|---|---|---|
| ১০৪ | ১১ | ১২ | ৪২ | ২০ |



## ৩.৮ গাঁৱৰ আন্তঃগাঁথনি আৰু যোগাযোগ ব্যৱস্থা

যিকোনো সমাজতেই পৰ্যাপ্ত মৌলিক আন্তঃগাঁথনিয়ে নিৰ্বাহক্ষম জীৱিকাৰ উপায়সমূহ বিকাশত সহায় কৰে। গাঁওখনৰ আন্তঃগাঁথনিৰ বৰ্তমান অৱস্থা তলৰ তালিকাত উল্লেখ কৰা হ'ল।

**বস্তুগত আন্তঃগাঁথনি**

| ক্ৰমিক নং | আন্তঃগাঁথনি | অৱস্থিতি (গাঁৱৰ বাহিৰত বা ভিতৰত) | সংখ্যা (যদি প্ৰযোজ্য) | যদি বাহিৰত-গাঁৱৰ পৰা আনুমানিক দূৰত্ব (মিঃ/ কিলোমিটাৰ) | ব্যৱহাৰৰ বৰ্তমান অৱস্থা |
|---|---|---|---|---|---|
| ১ | বাছ আস্থান | বাহিৰত | | ১ কিঃ মিঃ | শোচনীয় |
| ২ | প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ | বাহিৰত | | ১০ কিঃ মিঃ | ধলাই |
| ৩ | প্ৰাথমিক বিদ্যালয় | ভিতৰত | | ৫০০ মিঃ | কাৰ্যৰত |
| ৪ | মধ্য ইং বিদ্যালয় | বাহিৰত | | ৮ কিঃ মিঃ | ধলাই |
| ৫ | উচ্চ মাধ্যমিক বিদ্যালয় | বাহিৰত | | ৮ কিঃ মিঃ | ধলাই |
| ৬ | উচ্চতৰ মাধ্যমিক বিদ্যালয় | বাহিৰত | | ৯ কিঃ মিঃ | |
| ৭ | মহাবিদ্যালয় | বাহিৰত | | ১৬ কিঃ মিঃ | কাবুগঞ্জ |
| ৮ | ডাকঘৰ | বাহিৰত | | ৬ কিঃ মিঃ | জীৱনগ্ৰাম |
| ৯ | বেংক | বাহিৰত | | ১০ কিঃ মিঃ | ধলাই |
| ১০ | টেলিফোন | ভিতৰত | | ১১ কিঃ মিঃ | |
| ১১ | অঙ্গনৱাড়ী কেন্দ্ৰ | ভিতৰত | ২ | ৫০০ মিঃ | কাৰ্যৰত |
| ১২ | গাঁও পঞ্চায়ত কাৰ্যালয় | বাহিৰত | | ৭ কিঃ মিঃ | |
| ১৩ | ৰাজহ চক্ৰ কাৰ্যালয় | বাহিৰত | | ৩০ কিঃ মিঃ | কাছাৰ |
| ১৪ | আৰক্ষী থানা /চকী | বাহিৰত | | ১০ কিঃ মিঃ | ধলাই |
| ১৫ | বন লাট কাৰ্যালয় | বাহিৰত | | ৭ কিঃ মিঃ | বিষ্ণুপুৰ |
| ১৬ | বন আঞ্চলিক কাৰ্যালয় | বাহিৰত | | ১০ কিঃ মিঃ | |
| ১৭ | ৰে'ল ষ্টেচন | বাহিৰত | | ৫৫ কিঃ মিঃ | |
| ১৮ | খোৰাপানীৰ উৎস | ভিতৰত | | | কুঁৱা |
| ১৯ | সমূহীয়া ভৱন | নাই | | | |
| ২০ | বিদ্যুৎ সংযোগ থকা আবাস | ভিতৰত | | | |
| ২১ | ষ্ট্ৰিট লাইট | নাই | ৩৬ | | |
| ২২ | ট্ৰেক্টৰৰ সংখ্যা | | | | |
| ২৩ | পাৱাৰ টিলাৰৰ সংখ্যা | | | | |
| ২৪ | মন্দিৰ, মছজিদ, গীৰ্জা | ভিতৰত | নামঘৰ ১,গীৰ্জা ১ | | |
| ২৫ | জিলা সদৰ | বাহিৰত | ১ | ৪০ কিঃমিঃ | |
| ২৬ | যান-বাহনৰ সংখ্যা (কাৰ /ট্ৰাক) | | | | |
| ২৭ | জে চি বিৰ সংখ্যা | | | | |
| ২৮ | নিকটৱৰ্তী বজাৰ | বাহিৰত | ০১ | ৩ কিঃমিঃ | |
| | | | | | |

ওপৰৰ তালিকাৰ পৰা গাঁৱৰ আন্তঃগাঁথনিৰ নিম্নোক্ত বিষয়সমূহ উল্লেখনীয় ঃ

**বস্তুগত আন্তঃগাঁথনি ঃ** গাঁওখন পকী ৰাস্তা, বিদ্যুৎ, পানী যোগান, মোবাইল নেটৱৰ্ক ইত্যাদি মৌলিক বস্তুগত আন্তঃগাঁথনিৰ পৰা বঞ্চিত।

**শিক্ষা আৰু স্বাস্থ্য ব্যৱস্থা ঃ** শিক্ষা আৰু স্বাস্থ্য ব্যৱস্থা অতি নগণ্য। চৰকাৰী যান-বাহন পৰ্যাপ্ত নহয়। গাঁওবাসীয়ে যাতায়াতৰ বাবে চাইকেল ব্যৱহাৰ কৰিব লাগে।

**চৰকাৰী কাৰ্যালয় ঃ** চৰকাৰী কাৰ্যালয়সমূহ (যেনে থানা, গাঁও পঞ্চায়ত কাৰ্যালয়, ৰাজহ চক্ৰ কাৰ্যালয়, বন লাট কাৰ্যালয় ইত্যাদি) বাসস্থানৰ পৰা যথেষ্ট দূৰৈত আৰু নিকটৱৰ্তী এলেকাৰ পৰা নিয়মিত চৰকাৰী যান-বাহনৰ ব্যৱস্থা নথকাৰ বাবে গাঁওবাসী যথেষ্ট অসুবিধাৰ সন্মুখীন হয়।

**বিত্তীয় প্ৰতিষ্ঠান ঃ** বেংক আৰু ডাকঘৰ বাসস্থানৰ পৰা যথেষ্ট দূৰৈত।

**৩.৯ কৃষি/শস্য**

গাঁৱত প্ৰধানত নিম্নোক্ত শস্যসমূহৰ খেতি কৰা হয় ঃ

খাৰিফ শস্য ঃ ধান

ৰবি শস্য ঃ শাক-পাচলি

সৰ্বাধিকসংখ্যক পৰিয়াল ধানখেতিৰ লগত জড়িত।

উৎপাদিত শস্যৰ পৰিমাণ তলত উল্লেখ কৰাা হ'ল ঃ

ক) ধান ঃ উৎপাদন ৪,৫০,০০০ কিলোগ্ৰাম। হেক্টৰ প্ৰতি উৎপাদনৰ হাৰ ১১২.৫ কিঃ গ্ৰাঃ

**৩.১০ পশুখাদ্যৰ পৰ্যাপ্ততা**

গাঁৱৰ পশুখাদ্যৰ প্ৰধান উৎসসমূহ তলত দিয়া ধৰণৰ ঃ

ক) বনাঞ্চল

খ) স্থানীয় গাঁও এলেকা

**৩.১১ বজাৰ**

গাঁওবাসীয়ে বেচা-কিনাৰ বাবে তলৰ বজাৰসমূহলৈ যাতায়াত কৰে ঃ

ক) গেলামালৰ দোকান/ সুলভ মূল্যৰ দোকান ঃ জাৰুলতলা

খ) সাপ্তাহিক বজাৰ / অৰ্ধসাপ্তাহিক বজাৰ ঃ ১.৫ কিঃ মিঃ দূৰৈত জাৰুলতলা।

গ) প্ৰধান বজাৰ ঃ ১০ কিলোমিটাৰ দূৰৈত ধলাই

**৩.১২ পানীৰ উৎস**

পানীৰ প্ৰধান উৎসসমূহ আৰু পানীৰ পৰ্যাপ্ততা তলত দিয়া ধৰণৰ ঃ

ক)  কুঁৱা ঃ ১৮ টা (পানীৰ পৰ্যাপ্ততা ঃ বাৰমাহ)

খ)  পুখুৰী ঃ ২৩টা

### ৩.১৩ শক্তিৰ ব্যৱহাৰ

গাঁৱৰ শক্তিৰ প্ৰধান উৎসসমূহ তলত দিয়া ধৰণৰ ঃ

ক)  কাঠখৰি ঃ নিৰ্ভৰশীল পৰিয়াল ঃ ১২৫টা, উৎস ঃ বনাঞ্চল

খ)  কেৰাচিন ঃ নিৰ্ভৰশীল পৰিয়াল ঃ ১২৫টা

গ)  এল পি জি ঃ নিৰ্ভৰশীল পৰিয়াল ঃ ৬টা, (উৎস ঃ বেচৰকাৰী)

### ৩.১৪ আৰ্থ-সামাজিক অৱস্থা

**সামাজিক গঠন ঃ** গাঁওখনত মণিপুৰী, ঘাটোৱাৰ, ওৰাং আৰু চাওতাল সম্প্ৰদায়ৰ লোকে বাস কৰে। চাৰিটা পৰিয়াল খ্ৰীষ্টান আৰু বাকীসকল হিন্দু। মহিলাসকলৰ অৱস্থা সন্তোষজনক নহয়, তেওঁলোকৰ অধিকাংশই ঘৰুৱা কাম-কাজতেই আবদ্ধ থাকে।

**অৰ্থনৈতিক অৱস্থা ঃ** সম্প্ৰদায়ৰ অৰ্থনৈতিক অৱস্থা সন্তোষজনক নহয়। জীৱিকাৰ প্ৰধান উৎস কৃষি। অধিকাংশ পৰিয়ালৰে বাৰ্ষিক আয় ৩৬,০০০ টকাৰ পৰা ৬০,০০০ টকা পৰ্যন্ত। অতিৰিক্ত তথ্য পৰৱৰ্তী অধ্যায়ত দিয়া হৈছে।

## ৪। জীৱিকা সম্পদৰ ৰূপৰেখা আৰু দুৰ্বলতাৰ দিশসমূহ

গাঁৱৰ জীবিকা সম্পদ আৰু সেইসমূহৰ বৰ্তমান অৱস্থা সম্পৰ্কে এই অংশত আলোচনা কৰা হৈছে। ইয়াৰ উপৰি ইয়াত দুৰ্বলতাৰ দিশসমূহ সম্পৰ্কেও আলোচনা কৰা হৈছে।

### ৪.১ জীৱিকা সম্পদসমূহৰ বিশ্লেষণ

নিৰ্বাহক্ষম জীৱিকা নিৰ্দেশনা (এছ এল এফ) অনুযায়ী যিকোনো গাঁৱতে জীৱিকা ব্যৱস্থা উন্নত কৰাৰ বাবে সকলোতকৈ গুৰুত্বপূৰ্ণ পাঁচটা জীৱিকা সম্পদ দৰকাৰ। সেইকেইটা হ'ল— মানৱ সম্পদ, আৰ্থিক মূলধন, সামাজিক মূলধন, প্ৰাকৃতিক মূলধন আৰু বস্তুগত মূলধন। এই পাঁচটা মূলধনৰ অৱস্থা সম্পৰ্কে পৰ্যালোচনা তলত কৰা হ'ল ঃ

**মানৱ সম্পদ ঃ**

জাৰুলতলাত মানৱ সম্পদৰ দিশটো লক্ষ্য কৰিলে দেখা যায়, এই গাঁৱত সাক্ষৰতাৰ হাৰ ৭৪ শতাংশৰ ওপৰত। গাঁওবাসী বয়ন শিল্প আৰু বাঁহ-বেতৰ কামত দক্ষ। পেচাগত ক্ষেত্ৰত এজন শিক্ষক, দুজন দোকানী আৰু দহজন প্ৰতিৰক্ষা কৰ্মী। ইয়াৰ লগতে পৰম্পৰাগত দক্ষতাৰ কাম-কাজত যিসকল জড়িত তেওঁলোকক বিশেষভাৱে প্ৰশিক্ষণ দিয়াৰ প্ৰয়োজন। এই গাঁৱৰ লোকসকলৰ মাজত মাত্ৰ দহজনে কম্পিউটাৰ শিক্ষা লাভ কৰিছে। এইটো চিন্তনীয় বিষয়।

**প্ৰাকৃতিক মূলধন ঃ**

গাঁওখন প্ৰাকৃতিক সম্পদেৰে সমৃদ্ধ। গাঁৱৰ মুঠ উৰ্বৰ এলেকাৰ পৰিমাণ ৮০ হেক্টৰ। পানী আবদ্ধ এলেকা ৫ হেক্টৰ। বনাঞ্চলৰ পৰিৱেশতন্ত্ৰই গাঁওখনক পৰিৱেশতন্ত্ৰৰ সেৱাসমূহ যেনে বিধিগত, অস্থায়ী আৰু বিনোদনমূলক সুযোগ প্ৰদান কৰিছে। এই বনগাঁওখনত আছে প্ৰচুৰসংখ্যক জলজ প্ৰাণী। ভাটৌ, ময়ূৰ, হাঁহ, ধনেশ ইত্যাদি নানা ধৰণৰ পক্ষী ইয়াত আছে।

**সামাজিক মূলধন ঃ**

গাঁওখনে ধৰ্মীয় শান্তি আৰু একতাৰ ক্ষেত্ৰত এক দৃষ্টান্ত স্থাপন কৰিছে। এই গাঁওখনত আছে এটা নামঘৰ, এটা গীৰ্জা আৰু এটা মন্দিৰ। উৎসৱ-অনুষ্ঠানসমূহত সম্প্ৰদায়ৰ লোকসকলে ব্যাপকভাৱে অংশগ্ৰহণ কৰে। গাঁৱৰ মহিলা সমিতিৰ উদ্দেশ্য হ'ল মহিলা সদস্যসকলৰ সমস্যাসমূহ সমাধান কৰা। শিশুৰ পৰিচৰ্যা আৰু প্ৰয়োজনীয়তাসমূহ পূৰণৰ বাবে আছে দুটা অঙ্গনৱাড়ী কেন্দ্ৰ।

**বস্তুগত মূলধন ঃ**

বিদ্যালয়, ৰাস্তা, ডাকঘৰ, বেংক আদি প্ৰাতিষ্ঠানিক আন্তঃগাঁথনি থকা বা নথকাৰ পৰিপ্ৰেক্ষিতত গাঁৱৰ বস্তুগত মূলধনৰ বিষয়টো মূল্যায়ন কৰা হৈছে। গাঁৱৰ ভিতৰ এলেকাত এখন প্ৰাথমিক বিদ্যালয় থাকিলেও মধ্য ইং বিদ্যালয়, উচ্চ মাধ্যমিক বিদ্যালয় আৰু মহাবিদ্যালয় গাঁৱৰ পৰা দূৰৈত। এইটো এক চিন্তাৰ বিষয়। মধ্য ইংৰাজী আৰু উচ্চ মাধ্যমিক বিদ্যালয় দুয়োখনেই গাঁৱৰ পৰা আঠ কিঃ মিঃ দূৰৈত অৱস্থিত। গাঁৱৰ পৰা দহ কিঃমিঃ দূৰৈত আছে জনস্বাস্থ্য কাৰিকৰী কেন্দ্ৰ, য'লৈ কেঁচা ৰাস্তাইদি যাতায়াত কৰাটো গাঁওবাসীৰ বাবে খুবেই কঠিন। গাঁৱত কোনো আৰ চি চি ঘৰ নাই। ৯০টা ঘৰ কেঁচা। ৩৫টা ঘৰ ইটাৰ বেৰাৰ আৰু ইয়াৰ যথাশীঘ্ৰে উন্নত কৰাৰ প্ৰয়োজন।

**বিত্তীয় মূলধন ঃ**

বিত্তীয় মূলধনৰ ক্ষেত্ৰত গাঁওখনিৰ অৱস্থা শোচনীয়। নিকটৱৰ্তী বেংকটো গাঁৱৰ পৰা দহ কিঃমিঃ দূৰৈত হোৱাটোৱে বিত্তীয় অন্তৰ্ভুক্তিৰ ধাৰণাটো বাস্তৱ অৱস্থাৰ একেবাৰে বিপৰীত। মুষ্টিমেয় কিছু লোকৰ ডাকঘৰত একাউণ্ট আছে কিন্তু সেইটোও গাঁৱৰ পৰা ছয় কিঃমিঃ দূৰৈত।

## ৪.২ জীৱিকা সম্পদৰ পঞ্চভূজ

গাঁওখনৰ পাঁচ প্ৰকাৰৰ জীৱিকা সম্পদৰ পৰ্যালোচনা আৰু মূল্যায়ন কৰি এটি জীৱিকা পঞ্জভূজ তৈয়াৰ আৰু অধ্যয়ন কৰা হৈছে। এই জীৱিকা পঞ্চভূজটো সুষম নহয়। গাঁও উন্নয়ন পৰিকল্পনা আৰু জীৱিকা উন্নয়ন পৰিকল্পনাত উল্লেখ কৰা যথোপযুক্ত জীৱিকাৰ ৰণকৌশল আৰু কাৰ্যব্যৱস্থা গ্ৰহণ কৰি ব্যৱধানসমূহ দূৰ কৰিব পৰা যায়।

## ৪.৩ দুৰ্বলতাৰ পৰিপ্ৰেক্ষিতসমূহৰ বিশ্লেষণ

বানপানীৰ দৰে প্ৰাকৃতিক দুৰ্যোগ আৰু মেলেৰিয়া আৰু গ্ৰহণী ৰোগৰ কাৰণে সমগ্ৰ গাঁওখন বিপৰ্যয় সন্মুখীন হয়। এইসমূহ ৰোগত বৃদ্ধ আৰু শিশুসকল বেছিকৈ আক্ৰান্ত হয়।

## ৪.৪ ঋতুভিত্তিক কৃষি পঞ্জিকা

অংশগ্ৰহণমূলক গ্ৰামীণ মূল্যায়নৰ মাধ্যমত ঋতুভিত্তিক কৃষি পঞ্জিকা তৈয়াৰ কৰা হৈছে। এই ঋতুভিত্তিক কৃষি পঞ্জিকাত ঋতু অনুযায়ী শস্য উৎপাদনৰ বিষযসমূহ আৰু বিপদ-বিঘিনিসমূহো উল্লেখ কৰা হৈছে। জাৰুলতলাৰ কৃষিভূমিসমূহত প্ৰধান শস্য হিচাপে ধানখেতি কৰা হয়। ফেব্ৰুৱাৰীৰ পৰা জুলাই মাহলৈকে আহু ধানৰ খেতি কৰা হয় আৰু আগষ্টৰ পৰা ডিচেম্বৰ মাহলৈ শালি ধানৰ খেতি কৰা হয়।

**জাৰুলতলাৰ ঋতুকালীন কৃষি পঞ্জিকা**

| মাহ | জানু | ফেব্ৰু | মাৰ্চ | এপ্ৰিল | মে’ | জুন | জুলাই | আগষ্ট | ছেপ্টে | অক্টো | নৱে | ডিসে |
|---|---|---|---|---|---|---|---|---|---|---|---|---|
| শস্য | | | | | | | শালি ধান | | | | | |
| | | আহু ধান | | | | | | | | | | |
| | | ৰবিশস্য | | | | | | ৰবিশস্য (শাক-পাচলি) | | | | |
| হানি-বিঘিনি (বানপানী) | | | | | | বানপানী | | | | | | |

## ৫। সাম্প্ৰতিক পৰিকল্পনা আৰু কাৰ্যসূচী

ক্ষুদ্ৰ পৰিকল্পনাত প্ৰত্যক্ষ প্ৰভাৱ পেলোৱা অন্য কিছু গুৰুত্বপূৰ্ণ পৰিকল্পনা আৰু ৰূপায়ণ পদ্ধতি আৰু প্ৰক্ৰিয়াৰ বিষয়ে ইয়াত আলোচনা কৰা হ'ব। তাৰ ভিতৰত প্ৰধান হৈছে ৰাজ্যৰ বনাঞ্চলত বন আৰু বন্যপ্ৰাণীৰ সংৰক্ষণ আৰু বহনক্ষম বিকাশৰ বাবে প্ৰস্তুত কৰা সামগ্ৰিক কাৰ্যকৰী পৰিকল্পনা। বন্যপ্ৰাণী এলেকাত এই পৰিকল্পনাক কোৱা হয় ব্যৱস্থাপনা পৰিকল্পনা আৰু ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চলত ইয়াক কোৱা হয় বাঘ সংৰক্ষণ পৰিকল্পনা। তদুপৰি, অন্য কিছু আঁচনি অছে যেনে জনজাতি উপ-পৰিকল্পনা (টি এছ পি) আৰু অনুসূচিত জাতি পৰিকল্পনা (এছ চি পি), যিবোৰ বন বিভাগৰ জৰিয়তে বনগাঁওসমূহত ৰূপায়ণ কৰা হয়। অন্য কিছু বিভাগে স্বাস্থ্য, শিক্ষা, শক্তি, জলসিঞ্চন আৰু জীৱিকাৰ ব্যৱস্থা কৰে। এই বিভাগবোৰে প্ৰায়ে বনগাঁওসমূহত আঁচনি ৰূপায়ণ কৰে।

অসম যৌথ (ৰাইজৰ অংশগ্ৰহণ) বন ব্যৱস্থাপনা বিধি, ১৯৯৮ প্ৰণয়ন কৰাৰ পাছত যৌথ বন ব্যৱস্থাপনা আৰম্ভ কৰা হয় আৰু ২০০২ চনত জে এফ এম চি আৰু ই ডি চিসমূহ স্থাপন কৰা হয়। ইয়াৰ পূৰ্বে কিছু কাৰ্যকৰী পৰিকল্পনাত যৌথ বন ব্যৱস্থাপনা চক্ৰ স্থাপনৰ পৰামৰ্শ দিয়া হৈছিল। তদুপৰি, ৰাষ্ট্ৰীয় কাৰ্যকৰী পৰিকল্পনা সংকেত, ২০১৪ত ক্ষুদ্ৰ পৰিকল্পনাৰ ওপৰত জোৰ দিয়া হৈছিল আৰু ইয়াৰ বাবে সবিশেষ নীতি-নিৰ্দেশনাও প্ৰস্তুত কৰিছিল। এই ক্ষুদ্ৰ পৰিকল্পনা ৰাষ্ট্ৰীয় কাৰ্যকৰী পৰিকল্পনা সংকেত (২০১৪)ৰ আধাৰত প্ৰস্তুত কৰা হৈছে।

### ৫.১ কৰ্ম পৰিকল্পনাৰ সৈতে সম্পৰ্ক

১৮৭৪-৭৫ চনত ডাক্কা বন সংমণ্ডলৰ পৰা পৃথক কৰি কাছাৰ বন সংমণ্ডল গঠন কৰা হৈছিল। ১৮৮১-৮২ চনত চিলেট অংশটো ইয়াৰ পৰা পৃথক কৰা হয়। সেয়েহে কাছাৰ বন সংমণ্ডলক অসমৰ সকলোতকৈ পুৰণি বন সংমণ্ডল হিচাপে গণ্য কৰিব পাৰি। ১৯৮১ চনত কৰিমগঞ্জ সংমণ্ডলক পৃথক কৰি বৰ্তমানৰ কাছাৰ বন সংমণ্ডল গঠন কৰা হয়।

এই বন বিভাগত আছে ৬খন সংৰক্ষিত বনাঞ্চল (বৰাইল সংৰক্ষিত বনাঞ্চল বৰ্তমান বন্যপ্ৰাণী নিবাস, উজনি জিৰি সংৰক্ষিত বনাঞ্চল, নামনি জিৰি সংৰক্ষিত বনাঞ্চল, বৰাক সংৰক্ষিত বনাঞ্চল, সোণাই সংৰক্ষিত বনাঞ্চল আৰু ইনাৰ লাইন সংৰক্ষিত বনাঞ্চল), মাডুৰা নামৰ এখন প্ৰস্তাৱিত সংৰক্ষিত বনাঞ্চল ( পি আৰ এফ) এবং অ-শ্ৰেণীভুক্ত বৰাক বনাঞ্চল (বৰাক ইউ এছ এফ)। কাছাৰৰ বনাঞ্চলসমূহ আৰ্দ্ৰ চিৰহৰিৎ বনাঞ্চল ধৰণৰ অংশ। ইয়াত আছে বাঁহ আৰু বেতৰ জোপোহা আৰু গ্ৰীষ্মমণ্ডলীয় জলাহভূমি বনাঞ্চল। বৰাক আৰু ধলেশ্বৰী নদীত দেখা পোৱা বন্যপ্ৰাণীসমূহৰ ভিতৰত উল্লেখযোগ্য হ'ল ঘৰিয়াল। এই বনাঞ্চল গঁড়ৰ (ৰাইনোছেৰোছ ছোণ্ডিকাম) নিবাস। ১৯৬৭ চনত সোণাই সংৰক্ষিত বনাঞ্চলৰ পুনিখাল এলাকাত ইয়াক শেষবাৰ দেখাৰ তথ্য পোৱা গৈছে। প্ৰথম বনগাঁও ১৯০৩ চনত লালছৰাত (বৰ্তমান হাইলাকান্দি) স্থাপন কৰা হৈছিল।

এই বন সংমণ্ডলত ১৯৯৬-২০০৬ সময়সীমাৰ বাবে শেহতীয়া কাৰ্যপৰিকল্পনা তৈয়াৰ কৰিছিল কে কে গুপ্তাই। এই কাৰ্যপৰিকল্পনাত তিনিটা কৰ্ম চক্ৰ গঠনৰ পৰামৰ্শ প্ৰদান কৰা হৈছিল। এইসমূহ হ'ল, সুৰক্ষা কৰ্ম চক্ৰ, পুনৰুজ্জীৱিতকৰণ কৰ্ম চক্ৰ আৰু বাঁহ ৰোপণ কৰ্ম চক্ৰ। উজনি জিৰি, নামনি জিৰি, বৰাক, সোণাই আৰু ইনাৰ লাইন সংৰক্ষিত বনাঞ্চলৰ ক্ষতিগ্ৰস্ত এলেকাসমূহক লৈ পুনৰুজ্জীৱিতকৰণ (Regeneration) কৰ্ম চক্ৰ গঠন কৰা হৈছে। বনগাঁও আৰু ইয়াৰ পাৰ্শ্বৱৰ্তী এলেকাসমূহক এই কৰ্ম চক্ৰত অন্তৰ্ভুক্ত কৰা হ'ব।

**কাঠখৰিৰ গছ ৰোপণ** (Energy Plantation)

কাৰ্যপৰিকল্পনাত গাঁৱৰ কাঠখৰিৰ চাহিদাৰ পৰিপ্ৰেক্ষিতত বসতি সংলগ্ন এলেকাসমূহত আৰু সীমান্ত অঞ্চলত কাঠখৰিৰ গছ ৰোপণৰ পৰামৰ্শ দিয়া হৈছে। ৰোপণৰ পৰামৰ্শ দিয়া গছ প্ৰজাতিসমূহ হ'ল সেইসমূহ যিসমূহ বাঁহৰ আশেপাশে গজি উঠিব পাৰে। পৰামৰ্শ দিয়া গছৰ প্ৰজাতিসমূহ হ'ল, আলবিজিয়া, নিম, শিশু, গমাৰি, জাম, শাল, বহৰা, ৰাতা, পিং, গৰ্জন, লাড়ুবান্ধা, বনআম, টুন ইত্যাদি। এইসমূহ প্ৰজাতিৰ গছ ১.৮×১.৮ মিটাৰ দূৰত্বত আৰু ২০ বছৰৰ অন্তৰে অন্তৰে ৰোপণৰ পৰামৰ্শ প্ৰদান কৰা হৈছে।

**ঔদ্যোগিক গছ ৰোপণ ঃ**

নিৰ্মাণ কাৰ্য আৰু কল-কাৰখানাৰ প্ৰয়োজনৰ বাবে কাঠ ব্যৱহাৰৰ উদ্দেশ্যে বৰাক আৰু ইনাৰ লাইন সংৰক্ষিত বনাঞ্চলৰ ৫৫০ হেক্টৰ ভূমিত শিমলু, গৰ্জন, ৰাতা, গমাৰি, সুন্দি আৰু নাগেশ্বৰ গছ ৰোপণৰ পৰামৰ্শ দিয়া হৈছে। প্ৰাথমিক পৰ্যায়ত ৩×৩ মিটাৰ দূৰত্বত আৰু ৮০ বছৰৰ সময় ব্যৱধানত গছ ৰোপণৰ পৰামৰ্শ দিয়া হৈছে। এই সময়ৰ ব্যৱধানত গছসমূহৰ কাণ্ডৰ পৰিধি ১৮০ চেঃমিঃ হ'ব বুলি অনুমান কৰা হৈছে।

**অন্যান্য পৰামৰ্শাৱলী ঃ**

বনগাঁও ব্যৱস্থাপনাৰ সৈতে সংযুক্ত অন্য বিভিন্ন ধৰণৰ পৰামৰ্শও দিয়া হৈছে। বনগাঁওসমূহৰ সীমা উপযুক্তভাৱে চিহ্নিত কৰিব লাগিব। পৰিয়ালসমূহৰ মালিকানাধীন সম্পত্তিৰ যথোপযুক্ত সমীক্ষা কৰিব লাগিব। বিভিন্ন ব্যক্তিৰ দ্বাৰা বেআইনীভাৱে দখলিকৃত সমস্ত অতিৰিক্ত ভূমি পুনৰুদ্ধাৰ কৰিব লাগিব। বাবু শ্ৰেণীৰ জীৱিকাযুক্ত আৰু গাঁৱত বাস নকৰা লোকসকলৰ ভূমিস্বত্ব বাতিল কৰিব লাগিব। বনাঞ্চলৰ সীমাৰ বাহিৰৰ কোনো ভূমিতেই কৃষিকাৰ্য কৰাৰ বাবে অনুমতি দিব নালাগিব।

**৫.২ বন বিভাগৰ অতীজৰ পদক্ষেপসমূহ ঃ**

বন বিভাগৰ দ্বাৰা বিভিন্ন আঁচনিৰ অধীনত গ্ৰহণ কৰা বিভিন্ন কাৰ্যসূচীসমূহ তলত উল্লেখ কৰা হ'ল ঃ

জাৰুলতলা

| ক্ৰমিক নং | আঁচনিৰ নাম | সম্পন্ন কৰা কাৰ্য | বিশদ বিৱৰণ | প্ৰদান কৰা ধনৰ পৰিমাণ (লাখ টকা) | মন্তব্য |
|---|---|---|---|---|---|
| ১ | বনগাঁও উন্নয়ন আঁচনি | ৰাস্তা উন্নতকৰণ | পুনিখাল পইণ্টৰ পৰা বনগাঁও পৰ্যন্ত (২ কিঃমিঃ) | ৭.৫২ | - |
| ২ | বনগাঁও উন্নয়ন আঁচনি | কালভাৰ্ট নিৰ্মাণ | ১। ১২০ মিঃ<br>২। ৪৯০ মিঃ<br>খেৰানালা (২টা) | ২.৫০ | - |
| ৩ | বনগাঁও উন্নয়ন আঁচনি | দলং নিৰ্মাণ | - | - | - |

জাৰুলতলা সম্প্ৰসাৰণ

| ক্ৰমিক নং | আঁচনিৰ নাম | সম্পন্ন কৰা কাৰ্য | বিশদ বিৱৰণ | প্ৰদান কৰা ধনৰ পৰিমাণ (লাখ টকা) | মন্তব্য |
|---|---|---|---|---|---|
| ১ | বনগাঁও উন্নয়ন আঁচনি | ৰাস্তা উন্নতকৰণ | পুনিখাল পইণ্টৰ পৰা বনগাঁও পৰ্যন্ত (১ কিঃমিঃ) | ৩.৭৬ | - |
| ২ | বনগাঁও উন্নয়ন আঁচনি | কালভাৰ্ট নিৰ্মাণ | ১। ১৫০ মিঃ<br>২। ২০০ মিঃ<br>৩। ৩৪০ মিঃ<br>একে ৰাস্তাত(৩টা) | ৩.৭৫ | |
| ৩ | বনগাঁও উন্নয়ন আঁচনি | দলং নিৰ্মাণ | — | — | — |
| ৪ | বনগাঁও উন্নয়ন আঁচনি | সমূহীয়া সভাঘৰ | আমিষ খাচিয়াৰ ঘৰৰ পইণ্টত (১টা) | ২.০০ | |

কাছাৰ এফ ডি এ, শিলচৰৰ অধীনত ২০০৩-০৪ৰ পৰা ২০১৩-১৪লৈ লাভ কৰা আৰু খৰচ হোৱা ধনৰ হিচাব তলত দিয়া হ'ল।

| আঁচনিৰ নাম | বছৰ | ৰোপণৰ এলেকা সৃষ্টি (হেক্টৰ হিচাপে) | প্ৰাপ্ত পুঁজি (লাখ টকাত) | ব্যৱহৃত পুঁজি (লাখ টকাত) |
|---|---|---|---|---|
| ৰাষ্ট্ৰীয় বনানিকৰণ কাৰ্যসূচী | ২০০৩-০৪ | ২০০.০ | ৪২.০ | ৪২.০ |
| | ২০০৪-০৫ | ৬০০.০ | ৫৮.০ | ৫৮.০ |
| | ২০০৫-০৬ | ৪০০.০ | ৫০.০ | ৫০.০ |
| | ২০০৬-০৭ | ৩০০.০ | ৬৩.০ | ৬৩.০ |
| | ২০০৭-০৮ | ৩০০.০ | ৩০.০ | ৩০.০ |
| | ২০০৮-০৯ | ২০০.০ | ৪০.০ | ৪০.০ |
| | ২০০৯-১০ | ২০০.০ | ৪০.০<br>৩৪.৯২ | ৪০.০<br>৩৪.৯২ |
| | ২০১০-১১ | ৩০০.০ | ২২.৫৮<br>২৩.৫৮ | ২২.৫৮<br>২৩.৫৮ |
| | ২০১১-১২ | - | ৭.৯২ | ৭.৯২ |
| | ২০১২-১৩ | - | ৫.৯০ | ৫.৯০ |
| | ২০১৩-১৪ | - | ৪.৬৫ | ৪.৬৫ |
| | ২০১৪-১৫ | - | - | - |
| | ২০১৫-১৬ (৩১-০৩-২০১৬ পৰ্যন্ত) | - | - | - |
| | **মুঠ** | **২৫০০.০** | **৪২২.৫৫** | **৪২২.৫৫** |

**৫.৩ অন্যান্য বিভাগৰ কাৰ্যসূচী**

# জাৰুলতলা যুটীয়া বন পৰিচালনা সমিতি

## কাছাৰ বন সংমণ্ডল, দক্ষিণ অসম চক্ৰ

## ক্ষুদ্ৰ পৰিকল্পনা
## (২০১৬-১৭ৰ পৰা ২০২৬-২৭লৈ)

## অধ্যায় - ২

## ৬। ক্ষুদ্র পৰিকল্পনাৰ উদ্দেশ্যসমূহ, সবলতা, দুৰ্বলতা, সুযোগ আৰু বিপদ (SWOT) আৰু ব্যৱধান বিশ্লেষণ

### ৬.১ ক্ষুদ্র পৰিকল্পনাৰ উদ্দেশ্যসমূহ

এখন গাঁও পৰ্যায়ৰ ক্ষুদ্র পৰিকল্পনা হ'ল গ্ৰামোনয়ন আৰু বনাঞ্চল উন্নয়ন পৰিকল্পনা, যিখন হ'ল প্ৰয়োজন ভিত্তিক, স্থান ভিত্তিক আৰু উপলব্ধ সম্পদেৰ সৈতে সামঞ্জস্যপূৰ্ণ। যিহেতু পৰিকল্পনাৰ গোটটো ক্ষুদ্র, সেয়েহে ইয়াক ক্ষুদ্র পৰিকল্পনা বোলা হয়। ক্ষুদ্র পৰিকল্পনাই দুটা উদ্দেশ্য পূৰণ কৰাৰ চেষ্টা কৰে ঃ

১) জীৱিকা উন্নত কৰা

২) জৈৱ-বৈচিত্ৰ্য সংৰক্ষণ আৰু পৰিৱেশতন্ত্ৰৰ ভাৰসাম্য ৰক্ষা কৰা

বৰ্তমানৰ ক্ষুদ্র পৰিকল্পনা সম্প্ৰদায়ৰ পুৰুষ আৰু মহিলা উভয়ৰে অংশগ্ৰহণত তৈয়াৰ কৰা হৈছে। এই তথ্য ২০১৬ চনৰ মে' মাহত সম্প্ৰদায়ৰ সদস্যসকল আৰু ৰাষ্ট্ৰীয় গ্ৰামীণ বিকাশ নিধিৰ (আৰ জি ভি এন) কৰ্মচাৰীসকলৰ দ্বাৰা অংশগ্ৰহণমূলক গ্ৰামীণ মূল্যায়ন (পি আৰ এ) প্ৰক্ৰিয়াৰ মাধ্যমেৰে তৈয়াৰ কৰা হৈছে। ইয়াৰ ওপৰত গৃহীত বিভিন্ন পদক্ষেপ তলত উল্লেখ কৰা হ'ল ঃ

ক) প্ৰকল্পৰ উদ্দেশ্য সম্পৰ্কে আলোচনা আৰু জনসম্প্ৰদায় আৰু তেওঁলোকৰ পৰিপ্ৰেক্ষিত সংক্ৰান্তীয় প্ৰয়োজনীয় তথ্য সংগ্ৰহত তেওঁলোকৰ সহযোগিতা লাভৰ উদ্দেশ্যে ২০১৬ চনৰ মে' মাহত সম্প্ৰদায়ৰ সদস্যসকলৰ সৈতে আলোচনা অনুষ্ঠিত কৰা হয়।

খ) সম্প্ৰদায় আৰু তেওঁলোকৰ পৰিপ্ৰেক্ষিত সম্পৰ্কে প্ৰাৰম্ভিক তথ্য সংগ্ৰহ।

গ) ইয়াৰ পিছত সংগৃহীত তথ্যসমূহৰ বৈধতা সম্প্ৰদায়ৰ সৈতে আলোচনা কৰি পৰীক্ষা কৰা হয়।

ঘ) ৰাইজৰ অংশগ্ৰহণ আৰু তেওঁলোকৰ মতামতৰ ভিত্তিত কাৰ্যপৰিকল্পনাৰ ৰূপৰেখা তৈয়াৰ কৰা।

ঙ) প্ৰকল্পৰ নীতি-নিৰ্দেশনাৰ ভিত্তিত আৰ জি ভি এনে এই ক্ষুদ্র পৰিকল্পনা সংকলন কৰিছে। ২০১৬ চনৰ জুলাই মাহত গৃহীত কৰাৰ উদ্দেশ্যে এই তথ্য সম্প্ৰদায়ৰ লোকসকল আৰু বন বিভাগৰ বিষয়াসকলৰ উপস্থিতিত আলোচনাৰ মাধ্যমত চূড়ান্ত কৰা হয়।

### ৬.২ চাহিদা মূল্যায়ন আৰু ব্যৱধান বিশ্লেষণ

সম্পদ মূল্যায়ন, সক্ষমতা মূল্যায়ন, জীৱিকা সম্পদৰ মানচিত্ৰায়ন আৰু দলীয়া আলোচনাত গুৰুত্ব প্ৰদানৰ মাধ্যমেৰে দুৰ্বলতাৰ দিশসমূহ পৰ্যালোচনা, পি আৰ এ অনুশীলনৰ ভিত্তিত গাঁও পৰ্যায় আৰু পৰিয়াল পৰ্যায়ৰ সমীক্ষা, চাহিদা মূল্যায়ন, ব্যৱধানসমূহৰ বিশ্লেষণ আৰু এছ ডব্লিউ অ' টি বিশ্লেষণ সম্পন্ন কৰা হৈছে। এই বিশ্লেষণৰ ভিত্তিতেই কাৰ্যপৰিকল্পনা, জীৱিকা, গ্ৰামোন্নয়ন কৌশল আৰু বন উন্নয়ন পৰিকল্পনা প্ৰস্তুত কৰা হৈছে।

**প্ৰশিক্ষণ প্ৰযোজনীয়তাৰ পৰ্যালোচনা ঃ**

**ক) সামৰ্থ্য গঢ়ি তোলা ঃ** বনাঞ্চল আৰু জৈৱ-বৈচিত্ৰ্য, স্থিতিশীল উন্নয়ন, জলবায়ু পৰিবৰ্তন, লিংগ সমস্যা, বিত্তীয় অন্তৰ্ভুক্তি, ৱাটছান (জল-অনাময়)ৰ গুৰুত্ব, ভূমি আৰু পানী সংৰক্ষণ, বান ব্যৱস্থাপনা ইত্যাদি গুৰুত্বপূৰ্ণ উন্নয়নমূলক বিষয় সম্পৰ্কে নিয়মিত সজাগতা কাৰ্যসূচীৰ মাধ্যমেৰে সম্প্ৰদায়সমূহৰ সক্ষমতা গঢ়ি তোলা হয়। গ্ৰামোন্নয়নৰ বাবে এই বিষয় সম্পৰ্কে কাৰ্যপৰিকল্পনাৰ প্ৰস্তাৱ গ্ৰহণ কৰা হৈছে।

**খ) দক্ষতা উন্নয়ন ঃ** জীৱিকা উন্নয়নৰ বাবে কাৰ্যপৰিকল্পনাত উল্লেখ কৰা প্ৰস্তাৱত জীৱিকাৰ দক্ষতাৰ নিয়মিত পৰ্যালোচনা কৰা, সা-সৰঞ্জাম আৰু যন্ত্ৰপাতি ব্যৱহাৰ আৰু প্ৰক্ৰিয়া আৰু পদ্ধতিসমূহ সম্পৰ্কে বিশেষ প্ৰশিক্ষণ দিয়াৰ কথা উল্লেখ কৰা হৈছে।

**ব্যৱধান বিশ্লেষণ ঃ**

ক) শোচনীয় বস্তুগত আন্তঃগাঁথনি

খ) শোচনীয় শিক্ষা আৰু স্বাস্থ্য আন্তঃগাঁথনিৰ বাবে সাক্ষৰতাৰ হাৰ নিম্ন আৰু স্বাস্থ্য ক্ষেত্ৰত বিপদৰ সৃষ্টি হৈছে।

গ) বিত্তীয় প্ৰতিষ্ঠানৰ অনুপস্থিতি।

**৬.৩ সবলতা, দুৰ্বলতা, সুযোগ আৰু বিপদ (SWOT) পৰ্যালোচনা**

সম্প্ৰদায়ৰ পুৰুষ আৰু মহিলাসকলৰ অংশগ্ৰহণৰ মাধ্যমত এছ ডব্লিউ অ' টি বিশ্লেষণ কৰা হৈছে।

**সবলতা**

১) বয়ন, বাঁহ-বেতৰ কামত পৰম্পৰাগত দক্ষতা

**দুৰ্বলতা**

১) শোচনীয় পথ যোগাযোগ

২) আন্তঃগাঁথনিৰ অভাৱ

৩) সাক্ষৰতাৰ হাৰ নিম্ন আৰু নিবনুৱা সমস্যা

**সুযোগ**

১) চিলাই কাম আৰু বয়ন

২) তৰুণ উদ্যোগী

৩) বনজ সম্পদৰ উৎস পুনৰ্নিৰ্মাণৰ বাবে প্ৰশিক্ষণ

**বিপদ**

১) বানপানী

২) বজাৰৰ মূল্যবৃদ্ধি

৩) বনজ সম্পদ হ্ৰাস

**৬.৪ অংশগ্ৰহণমূলক গ্ৰামীণ মূল্যায়ন (PRA) কাৰ্যসূচী**

গুৱাহাটীৰ আৰ জি ভি এন দলে জাৰুলতলাত পি আৰ এ অনুশীলন সম্পন্ন কৰিছে। তলত তাৰ বিৱৰণ দিয়া হ'ল ঃ

**তাৰিখ ঃ** ২৯-০৬-২০১৬

**স্থান ঃ** জাৰুলতলা

**উপস্থিত সদস্য ঃ** ৪৫

**উপস্থিত আছিল ঃ** জে এফ এম চিৰ বিষয়ববীয়াসকল, গাঁওবুঢ়া, সম্প্ৰদায়ৰ সদস্যসকল, বন বিভাগৰ বিষয়াসকল ইত্যাদি।

অংশগ্ৰহণমূলক মানচিত্ৰায়ন আৰু আদান-প্ৰদানৰ কাম আৰম্ভ কৰাৰ পূৰ্বে সজাগতা আৰু পাৰিপাৰ্শ্বিকতা পৰিচিতি কাৰ্যসূচী অনুষ্ঠিত কৰা হয়।

অংশগ্ৰহণমূলক মেপিং কৰাৰ আগতে সজাগতা আৰু দিক্‌দৰ্শন কাৰ্যসূচী গাঁও পৰ্যায়তত কৰা হয়। সজাগতা আৰু দিক্‌দৰ্শন কাৰ্যসূচীৰ সময়ত সামৰি লোৱা বিষয়সমূহ—

১) অংশগ্ৰহণমূলক পৰিকল্পনা

২) অংশগ্ৰহণমূলক উপায় আৰু পদ্ধতি

৩) ক্ষুদ্ৰ পৰিকল্পনাৰ গুৰুত্ব আৰু ই ডি চি/জে এফ এম চিৰ ভূমিকা

৪) পৰিৱেশ সম্পৰ্কীয় বিষয়

৫) জলবায়ু পৰিৱৰ্তন আৰু জলবায়ু ভেদ

৬) পৰিৱেশতান্ত্ৰিক ভাৰসাম্যতা আৰু পৰিৱেশতন্ত্ৰৰ ব্যৱস্থাপনা (পৰম্পৰাগত আৰু বিজ্ঞানসন্মত)

৭) বহনক্ষম জীৱিকা ফ্ৰেমৱৰ্ক

৮) জীৱিকা সম্পদ-পঞ্চভূজ আৰু সামাজিক সম্পদৰ গুৰুত্ব

৯) ক্লাষ্টাৰ আৰু আত্মসহায়ক গোট গঠন, বিত্তীয় অন্তৰ্ভুক্তিকৰণ

১০) বিপণন আৰু মূল্য সংযোজন

১১) উন্নয়ন কাৰ্যসূচী আৰু পৰিৱেশ আৰু পৰিৱেশতান্ত্ৰিক ভাৰসাম্যৰ সৈতে ইয়াৰ সম্পৰ্ক

১২) লিংগ সম্পৰ্কীয় বিষয় আৰু লিংগ সমতা

**নিৰীক্ষণ ঃ** আলোচনা আৰু পি আৰ এ অনুশীলনৰ সময়ত ৰাইজে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে। তলত উল্লিখিত কথাবোৰ উন্মোচিত হয়—

* উপস্থিত ৰাইজে কয় যে ধন আৰু প্ৰকল্পৰ অভাৱত পূৰ্বে ই ডি চি/জে এফ এম চিসমূহ বেছি সক্ৰিয় নাছিল।
* অতীতত ই ডি চি/জে এফ এম চিত সজাগতা আৰু দিক্‌দৰ্শন কাৰ্যসূচী খুব কাম আছিল।
* ক্ষুদ্ৰ পৰিকল্পনাৰ গুৰুত্ব তেওঁলোকে উপলব্ধি কৰিছে আৰু ক্ষুদ্ৰ পৰিকল্পনা প্ৰস্তুতৰ সময়ত তেওঁলোকে যথেষ্ট সমৰ্থন আৰু সহযোগ কৰিছে।
* প্ৰথমবাৰৰ বাবে এ পি বি এফ চিৰ অধীনত এন জি অ'বোৰে ৰাইজৰ সৈতে মত বিনিময় কৰে আৰু সজাগতা সৃষ্টিত দিক্‌দৰ্শন কৰে। এই সজাগতা আৰু দিক্‌দৰ্শন কেৱল প্ৰকল্পটো সন্দৰ্ভতে নহয়, বিকাশ আৰু উন্নয়নত পাৰিৱেশিক আৰু পৰিৱেশতান্ত্ৰিক বিষয় সামৰি উন্নয়নমূলক ইচ্ছু সন্দৰ্ভতো কৰা হয়।
* পৰিৱেশ, বন আৰু কীটনাশক, পশুধন ব্যৱস্থাপনা আদি জীৱিকা সম্পৰ্কীয় বিষয়ত ৰাইজৰ ভাল প্ৰজ্ঞা আৰু পৰম্পৰাগত জ্ঞান আছে।
* তেওঁলোকে জলবায়ু পৰিৱৰ্তনৰ ওপৰত আৰু কৃষি আৰু স্বাস্থ্যৰ ওপৰত পৰা ইয়াৰ বিৰূপ প্ৰভাৱৰ ওপৰত শংকা প্ৰকাশ কৰে।

*	কাযৰীয়া বনাঞ্চল সুৰক্ষাৰে জলবায়ু পৰিৱৰ্তন ৰোধ কৰিবলৈ ৰাইজৰ আগ্ৰহ পৰিলক্ষিত হয়।

**ৰাইজৰ প্ৰয়োজন পুনৰীক্ষণ ঃ** পি আৰ এ অনুশীলন, গাঁৱৰ ৰাইজ, জে এফ এম চিৰ সদস্য, বনকৰ্মী আৰু সংশ্লিষ্টসকলৰ সৈতে আলোচনাৰ ভিত্তিত জে এফ এম চিৰ বাবে গাঁও উন্নয়ন পৰিকল্পনা আৰু জীৱিকা উন্নয়ন পৰিকল্পনা প্ৰস্তুত কৰা হৈছে। অংশগ্ৰহণমূলক কাৰ্যসূচীৰ জৰিয়তে জনসাধাৰণৰ চাহিদা মূল্যায়ন কৰা হয়। মানুহৰ প্ৰয়োজন দুভাগত ভগাব পাৰি—

১)	গঠনাত্মক প্ৰয়োজন

২)	অগঠনাত্মক প্ৰয়োজন

এই পৰিৱৰ্তনবোৰ হ্ৰস্বকালীন আৰু দীৰ্ঘকালীন প্ৰয়োজন হিচাপে ভাগ কৰিব পাৰি। ইয়াৰ প্ৰয়োজনৰ সবিশেষ গাঁও উন্নয়ন পৰিকল্পনাত দিয়া হৈছে।

মানুহৰ গঠনাত্মক প্ৰয়োজনৰ জীৱিকা উৎকৰ্ষসাধনৰ লগত প্ৰত্যক্ষ আৰু পৰোক্ষ সম্পৰ্ক আছে। তাৰ ভিতৰত বাট-পথ, বিদ্যালয়, স্বাস্থ্যসেৱা, খোৱাপানী যোগান, পানী টেংক, কুঁৱা আদি আন্তঃগাঁথনি, শৌচাগাৰ নিৰ্মাণ, ৰাজহুৱা সভাগৃহ নিৰ্মাণ, প্ৰশিক্ষণ গৃহ নিৰ্মাণ, বজাৰ গৃহ নিৰ্মাণ আদি বিষয় জড়িত আছে।

অগঠনাত্মক প্ৰয়োজনৰ ভিতৰত দক্ষতা প্ৰশিক্ষণ, পশু চিকিৎসা সেৱা, স্বাস্থ্য সেৱা, ভ্ৰাম্যমাণ চিকিৎসকৰ দল, গাঁৱৰ বিদ্যালয়ত প্ৰয়োজনীয় শিক্ষক, বিত্তীয় অন্তৰ্ভুক্তিকৰণৰ প্ৰশিক্ষণ আৰু সজাগতাৰ জৰিয়তে দক্ষতা গঢ়া, আত্মসহায়ক গোট আৰু ক্লাষ্টাৰ গঠন, কেঁচা সামগ্ৰীৰ ব্যৱস্থা, ই ডি চিৰ কাৰণে অহা উন্নয়নৰ ধন/ৰাজহুৱা ধন পৰিচালনা, পৰম্পৰাগত সামগ্ৰীত মূল্য সংযোজন আৰু বজাৰৰ সৈতে সংযোগকৰণ আদি অন্তৰ্ভুক্ত।

## ৭। গ্ৰামোন্নয়ন পৰিকল্পনা

গাঁৱৰ উন্নয়নৰ দীৰ্ঘম্যাদী আৰু হ্ৰস্বম্যাদী চাহিদাসমূহ বিবেচনা কৰি ৰাইজ আৰু জে এফ এম চিৰ সদস্যসকলৰ সৈতে আলোচনাৰ মাধ্যমেৰে এটি গ্ৰামোন্নয়ন পৰিকল্পনা তৈয়াৰ কৰা হৈছে। গ্ৰামোন্নয়নৰ বাবে সম্প্ৰদায়ৰ সদস্যসকলৰ দ্বাৰা পৰিকল্পিত ব্যৱস্থাসমূহ তলত দিয়া ধৰণৰ ঃ

১) গাঁৱত খোৱাপানীৰ পৰ্যাপ্ত ব্যৱস্থা নাই। পানীৰ একমাত্ৰ উৎস হ'ল কুঁৱা, সেইসমূহো শীতকালত শুকাই যায়। এই গাঁৱত পানী যোগান প্ৰকল্পসমূহ বিকল। ফলত ইয়াত দমকল স্থাপন কৰা অত্যন্ত জৰুৰী আৰু পানী যোগান ব্যৱস্থাৰ সমবিতৰণৰ দৰকাৰ।

২) বিভিন্ন এলেকাৰ সৈতে পথ যোগাযোগ ব্যৱস্থা নিৰ্মাণ অত্যন্ত জৰুৰী। কাৰণ পথৰ ব্যৱস্থা নথকাৰ কাৰণে গাঁৱৰ কিছু এলেকা গোটেইকেইটা ঋতুতেই যোগাযোগ বিচ্ছিন্ন হৈ থাকে।

৩) গাঁৱৰ সকলো পৰিয়ালৰ ঘৰতে বিদ্যুৎ সংযোগৰ প্ৰয়োজন।

৪) মাত্ৰ এখন প্ৰাথমিক বিদ্যালয়ৰ বাহিৰে অন্য কোনো শিক্ষা প্ৰতিষ্ঠান নথকাত গাঁওবাসীয়ে তেওঁলোকৰ ল'ৰা-ছোৱালীক শিক্ষা প্ৰদানত কঠিনতাৰ সন্মুখীন হৈছে। বৰ্তমান গাঁৱত যিখন প্ৰাথমিক বিদ্যালয় আছে তাতো শীঘ্ৰে এজন নিয়মিত ভিত্তিত শিক্ষক নিয়োগ কৰা দৰকাৰ আৰু মধ্য আৰু হাইস্কুল স্থাপন কৰাও জৰুৰী।

৫) প্ৰাথমিক স্বাস্থ্য সেৱাৰ পৰা গাঁওখন বঞ্চিত। নিকটৱৰ্তী স্বাস্থ্য কেন্দ্ৰটো গাঁৱৰ পৰা ১০ কিলোমিটাৰ দূৰত্বত অৱস্থিত। ফলত এই গাঁৱত এটি প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ স্থাপন কৰিলে গাঁওবাসী সামগ্ৰিকভাৱে উপকৃত হ'ব।

৬) বিভিন্ন সামাজিক, সাংস্কৃতিক অনুষ্ঠানৰ বাবে গাঁৱত এটা সমূহীয়া সভাঘৰ নিৰ্মাণ কৰা প্ৰয়োজন।

### ৭.১ স্থানাংক

প্ৰাৰম্ভিক কাৰ্যসূচীৰ স্থানাংক তলত উল্লেখ কৰা হ'ল ঃ

* জীবিকা আৰু দক্ষতা উন্নয়ন
* প্ৰাৰম্ভিক কাৰ্যসূচী (ই পি এ)

**প্ৰাৰম্ভিক কাৰ্যসূচীৰ স্থানাংক**

| স্থানাংক | স্থানাংক অনুযায়ী গাঁৱৰ ই পি এ | বিশদ বিৱৰণ |
|---|---|---|
| ১ | পথ | জাৰুলতলা বজাৰৰ পৰা সংৰক্ষিত বনাঞ্চল পৰ্যন্ত ৩ কিঃমিঃ |
| ২ | বিদ্যুৎ | গাঁৱৰ সকলো পৰিয়ালৰ ঘৰতে বিদ্যুৎ সংযোগ প্ৰদান |
| ৩ | পানী যোগান | * দমকলৰ ব্যৱস্থা<br>* বৰ্তমান বিকল হৈ থকা পানী যোগান আঁচনি প্ৰকল্প নৱীকৰণ<br>* এলেকাৰ পানীৰ গুণগত মান পৰীক্ষা |
| ৪ | ৰাজহুৱা সভাঘৰ | কালী মন্দিৰৰ ওচৰত এটি ৰাজহুৱা সভাঘৰ নিৰ্মাণ |
| ৫ | এল পি জি সংযোগ | সকলো পৰিয়ালকে সংযোগ দিব লাগে |
| ৬ | হাস্পতাল | এটা স্বাস্থ্য কেন্দ্ৰ স্থাপন |
| ৭ | মধ্য/হাইস্কুল | মধ্য/হাইস্কুল নিৰ্মাণ |

## ৮। জীৱিকা উন্নয়ন পৰিকল্পনা

গাঁৱৰ বাবে উপযুক্ত ক্ষুদ্ৰ পৰিকল্পনা প্ৰস্তুতৰ উদ্দেশ্যে জে এফ এম চিৰ সদস্য আৰু আৰ জি ভি এনৰ সাহায্য আৰু সমৰ্থনৰ ওপৰত ভিত্তি কৰি বনগাঁও আৰু সীমান্তৱৰ্তী গাঁওসমূহত কাৰ্যকৰীভাৱে পি আৰ এ অনুশীলন আৰু আৰ্থ-সামাজিক সমীক্ষা চলোৱা হয়। পি আৰ এ অনুশীলন আৰু দলীয় আলোচনাৰ মাধ্যমত বিভিন্ন উপাৰ্জন বৃদ্ধিৰ কাম (আই জি এ) চিহ্নিত কৰা হয়। চিহ্নিত কৰা উপাৰ্জন বৃদ্ধিৰ গুৰুত্বপূৰ্ণ কাৰ্যসূচীসমূহ হ'ল ঃ মৎস্য পালন, শাক-পাচলিৰ খেতি, হাঁহ-মুৰ্গী পালন, দুগ্ধ উৎপাদন, মৌ পালন, কাঠফুলাৰ খেতি, বিকেন্দ্ৰীভূত নাৰ্চাৰী, চিলাই কাম, ক্ষুদ্ৰ হস্তশিল্প, মৰাপাটৰ হস্তশিল্প, বাঁহৰ হস্তশিল্প, মমবাতি উৎপাদন, ধূপকাঠি উৎপাদন, আচাৰ ইত্যাদি। এইসমূহ উৎপাদিত সামগ্ৰীত প্ৰক্ৰিয়াকৰণ, গ্ৰেডিং-পেকিং/বটলিং আৰু লেবেলিঙৰ মাধ্যমত পেছাদাৰীভাৱে মূল্য সংযোজন কৰিব পৰা যায়। উপাৰ্জন বৃদ্ধিৰ কাৰ্যসূচীৰ বাবে প্ৰয়োজনীয় উপকৰণ, সা-সৰঞ্জাম, কেঁচামালো নিৰ্ধাৰণ কৰা হৈছে। জে এফ এম চিৰ পৰা উৎপাদন কৰা সামগ্ৰী প্ৰদৰ্শন আৰু বিক্ৰীৰ বাবে বিপণন কেন্দ্ৰ হিচাপে 'বন বজাৰ' স্থাপনৰ প্ৰস্তাৱো দিয়া হৈছে।

### ৮.১ স্থানাংক

**জীৱিকা আৰু দক্ষতা উন্নয়ন পৰিকল্পনাৰ স্থানাংক**

* কৃষি
* চিলাই কাম
* হস্তশিল্প
* পশুধন
* দক্ষতা উন্নয়ন
* এন টি এফ পি

### ৮.২ জীৱিকাৰ সুযোগ-সুবিধা

**জীৱিকাৰ নিম্নোক্ত উপায়সমূহক চিহ্নিত কৰা হৈছে ঃ**

* কৃষি আৰু উদ্যানশস্য
* পশুধন
* এন টি এফ পি
* দক্ষতা উন্নয়ন
* ঋণৰ সুবিধা

### ৮.৩ কৃষি আৰু উদ্যানশস্য

**প্ৰধান অসুবিধাসমূহ ঃ**

ক) জলসিঞ্চনৰ অভাৱ

খ) শোচনীয় পথ যোগাযোগ আৰু বিপণন সংযোগৰ অভাৱ

গ) গ্ৰীষ্মকালত বানপানী আৰু শীতকালত পানীৰ অভাৱ

**সুবিধাসমূহ ঃ**

ক) উৰ্বৰ ভূমি

খ) উৎপাদিত মৰাপাট আৰু ধানৰ বাণিজ্যিকীকৰণ

গ) জৈৱিক কৃষিৰ মাধ্যমত শাক-পাচলিৰ উৎপাদন বৃদ্ধি

৮.৪ **পশুধন**

**বাধাসমূহ ঃ**

ক) ৰোগ

খ) পশু চিকিৎসা ব্যৱস্থাৰ কম সুযোগ

গ) খেতিপথাৰ তথা অন্যান্য কামত গৰু ব্যৱহাৰৰ ওপৰত অধিক নিৰ্ভৰশীলতা

**সুবিধাসমূহ ঃ**

ক) দুগ্ধ উৎপাদন পাম

খ) হাঁহ-মুৰ্গী পালন

৮.৫ **কাঠ ভিন্ন বনজ উৎপাদন (এন টি এফ পি)**

**প্ৰধান বাধাসমূহ ঃ**

ক) পৰ্যাপ্ত এন টি এফ পিৰ অভাৱ

খ) এন টি এফ পিৰ উপযোগিতা সম্পৰ্কে সম্প্ৰদায়ৰ জ্ঞানৰ অভাৱ

গ) উপলব্ধ এন টি এফ পিৰো যথোপযুক্তভাৱে ব্যৱহাৰ নোহোৱা

**সুবিধাসমূহ ঃ**

ক) বাণিজ্যিক প্ৰক্ৰিয়াকৰণ আৰু মূল্য সংযোজনৰ বাবে ফলমূল আৰু ভেষজ উদ্ভিদসমূহ ব্যবহাৰ কৰিব পৰা যায়

খ) এন টি এফ পিৰ সংৰক্ষণ আৰু বৈধ ব্যৱহাৰ সম্পৰ্কে সজাগতা

৮.৬ **বিশেষ দক্ষতা**

দক্ষতা উন্নয়নৰ ক্ষেত্ৰত প্ৰধান বাধাসমূহ হ'ল ঃ

ক) অত্যধিক ঘন জনবসতি

খ) নিৰক্ষৰতা

গ) আধুনিক যন্ত্ৰপাতি আৰু সা-সৰঞ্জামৰ অভাৱ।

**সুবিধাসমূহ**

ক)	মৰাপাট উৎপাদন সম্প্ৰসাৰণ

খ)	তৰুণ উদ্যোগী

গ)	ৰবিশস্যৰ কৃষি (শাক-পাচলি)

ঘ)	দক্ষ ঠিকা শ্ৰমিক (যুৱক)

**৮.৭	ঋণৰ সুযোগ-সুবিধা**

**প্ৰধান বাধাসমূহ ঃ**

ক)	বেংকৰ পৰা ঋণ লোৱাৰ সুযোগ নাই

খ)	শোচনীয় পথ যোগাযোগ আৰু আন্তঃগাঁথনি

গ)	ক্ষুদ্ৰ বিনিয়োগ প্ৰতিষ্ঠান আৰু চৰকাৰী আঁচনিসমূহৰ সম্পৰ্কে সজাগতাৰ অভাৱ

**সুবিধাসমূহ ঃ**

ক)	আত্মসহায়ক গোট গঠনৰ বাবে অনুপ্ৰেৰণা

খ)	ক্ষুদ্ৰ বিনিয়োগ কাৰ্যসূচী আৰু বিভিন্ন চৰকাৰী কাৰ্যসূচীত চামিলকৰণ।

**৮.৮	কৌশলগত হস্তক্ষেপ**

ওপৰত উল্লিখিত বিষয়সমূহৰ সাৰাংশ হিচাপে নিম্নোক্ত বিষয়সমূহক কৌশলগত হস্তক্ষেপ হিচাপে গণ্য কৰিব পাৰি ঃ

১)	উপযুক্ত জলসিঞ্চন ব্যৱস্থাৰ দ্বাৰা কৃষিৰ সম্প্ৰসাৰণ

২)	চিলাই কাম আৰু হস্তশিল্পৰ বাবে দক্ষতা উন্নয়ন প্ৰশিক্ষণ কাৰ্যসূচী

৩)	কম্পিউটাৰ প্ৰশিক্ষণ

৪)	চৰকাৰী কাৰ্যসূচীত ঋণৰ ব্যৱস্থা চামিলকৰণ

**৮.৯	উপাৰ্জন বৃদ্ধিৰ কাৰ্যসূচী**

গাঁৱত পৰিকল্পনা কৰা উপাৰ্জনৰ প্ৰধান উপায়সমূহ হ’ল ঃ

১)	কৃষি

২)	বয়ন

৩)	বাঁহ-বেতৰ কাম

৪)	হস্তশিল্প

**৮.১০	আত্মসহায়ক গোটৰ কাৰ্যসূচী**

**সুবিধাসমূহ ঃ**

ক)　আত্মসহায়ক গোট গঠনৰ বাবে অনুপ্ৰেৰণা

খ)　ক্ষুদ্ৰ বিনিয়োগ প্ৰতিষ্ঠান

গ)　চৰকাৰী কাৰ্যসূচীসমূহত ঋণৰ ব্যৱস্থা চামিলকৰণ

নিম্নোক্ত কাৰ্যসূচীসমূহ সম্পৰ্কে আত্মসহায়ক গোটসমূহে পৰিকল্পনা কৰিব পাৰে—

১)　চিলাই কাম

২)　বয়ন

৩)　বাঁহ-বেতৰ কাম

## ৮.১১ **শিক্ষামূলক ভ্ৰমণ** (Exposure Trips)

প্ৰশিক্ষণমূলক ভ্ৰমণৰ বাবে তলত দিয়াৰ দৰে পৰিকল্পনা কৰা হৈছে—

